# সম্মিলন-প্রবন্ধাবলী

চতুর্থ ভাগ

আসাম ছাত্র-সম্মিলন

১৯১৯

# সন্মিলন-প্ৰবন্ধাৱলী

## চতুৰ্থ ভাগ

আসাম-ছাত্ৰ-সন্মিলন

তেজপুৰ অধিবেশন

১৯১৯

GOVERNMENT OF ASSAM.
Call No...............
DISTRICT LIBRARY.

বেচ্ ৸৹ মাথোন

প্রকাশক
শ্রীকালীচরণ-ভট্টাচার্য্য

কলিকাতা,
৬নং কলেজ-স্কোয়ার, সাম্য-প্রেসে
শ্রীউপেন্দ্রনাথ দাস দ্বারা মুদ্রিত।

*Library books will give you joy for long if handled carefully with clean hands*

GOVERNMENT OF ASSAM.
Call No ..............
DISTRICT LIBRARY.

PLEASE HANDLE THE BOOK CAREFULLY.



মহাকবি চেক্সপীৰ।

"And for all time he wears the crown
Of lasting, limitless renown;
He reigns, whatever monarchs fall;
His throne is in the heart of all."

—*Gerald Massey.*

# পাতনি।

আসাম ছাত্রসম্মিলনৰ চতুৰ্থ অধিবেশন ১৯১৯ চনৰ অক্টোবৰ মাহত তেজপুৰত বহিছিল। এই অধিবেশনত যি বিলাক প্ৰবন্ধ পঠিত বুলি গৃহীত হৈছিল তাৰেই কিছুমান পুস্তকাকাৰত উলিওৱা হল। ছপাখানাৰ বেমেজালিত ইমান দিন পলম তাৰ বাবে ৰাইজে যেন ক্ষমা কৰে। আৰু লৰালৰিত ছপাৰ অশুদ্ধিও কিছু হ'ল সেই বাবে শুধৰণিও দিয়া হল।

শ্ৰীকালীচৰণ ভট্টাচাৰ্য্য
শ্ৰীঅমিয়কুমাৰ দাস } সম্পাদক,

অভ্যৰ্থনা-সমিতি ;

আসাম-ছাত্ৰ-সম্মিলন চতুৰ্থ অধিবেশন।

২০ আহিন, ১৮৪২ শক।
শোণিতপুৰ।

GOVERNMENT OF ASSAM
Call No ............
DISTRICT LIBRARY.

# অভ্যৰ্থনা-সমিতিৰ অভিভাষণ।

সমবেত ভদ্ৰমণ্ডলী আৰু উপস্থিত প্ৰতিনিধি সকল—

আজি মাতৃদেবীৰ আহ্বানত আপোনালোক সকলোটি দূৰ দূৰান্তৰৰ পৰা অশেষ কষ্ট সহ্য কৰি প্ৰকৃতিৰ ৰম্য কানন আগৰ বান ৰজাৰ পুৰীলৈ আহি সম্মিলিত হৈছে তাৰ বাবে শোণিতপুৰৰ ছাত্ৰসকলে সৰল অন্তৰ কৰণেৰে অভ্যৰ্থনা জনাইছে আৰু আপোনালোকৰ অভ্যৰ্থনাত যথেষ্ট ত্ৰুটি হোৱাৰ বাবে ক্ষমা ভিক্ষা কৰিছে।

শোণিতপুৰৰ আগৰ অৱস্থা নাই, আজি সহস্ৰবাহু শক্তিসম্পন্ন আৰু ভক্তাগ্ৰগণ্য বান ৰজাও নাই আৰু ৰূপৱতী ভক্তিমতী ৰাজকুঁৱৰী উষাদেবীও নাই। যি ব্ৰহ্মপুত্ৰনদে এদিনাখন আৰ্য্য ঋষি মুনি সকলৰ সামবেদ গানৰ সুমধুৰ সুৰৰ প্ৰতিধ্বনি তুলিছিল, আজি তাত নিস্তব্ধতা। পৰ্ব্বত গুহাত তাপস-সঞ্চিত-ভাবৰাশি আজি শূন্য। এদিন যি শোণিতপুৰৰ নিৰ্জ্জন কানন ঋষি মুনিসকলৰ আবাসভূমি আছিল, সেই সকলোবিলাক আজি শূন্য। যি ঠাই অতীতত সভ্যতাৰ কেন্দ্ৰ আছিল, যি ঠাই পূৰ্ব্বে দুৰ্জ্জয়পুৰ নাম লৈ মহাসমৃদ্ধিশালী নগৰ আছিল,

যি ঠাইৰ অতীত-গৌৰৱৰ কথা নানাকাৰু-কাৰ্য্য-খচিত প্ৰস্তৰ ধ্বংসাৱ শেষবিলাকে আজিও আমাক সোঁৱৰাই দিছে, যি ঠাইৰ মানুহে এদিনাখন সভ্যতাৰ উচ্চ সোপানত ভৰি দিছিল, সেই ঠাইত আজি অৰ্দ্ধমৃত জাতিয়ে অজ্ঞানতাৰ আন্ধাৰত অচেতন হৈ নিদ্ৰা গৈছে। চাৰি ওফালে এতিয়া দেখিছোঁ নৈৰাশ্য আৰু সম্পূৰ্ণ উদ্যমহীনতা। অতীত গৌৰৱৰ মহিমাময় স্মৃতিৰ লগত বৰ্ত্তমান অৱস্থা বিজাই চাই আমি হতাশ হওঁ। তথাপিও যে আমি আজি ইয়াত মাতৃপূজাৰ আয়োজন কৰিছোঁ তাৰ কাৰণ হৈছে -বতাহত যেন ক'ৰবাৰ পৰা অস্ফুট স্বৰেৰে:কিবা এক সঞ্জীৱনী বাণী উটি আহিছে, পৰ্ব্বতৰ প্ৰত্যেক গুহাই, প্ৰত্যেক কন্দৰে সেই একে বাণীৰেই প্ৰতিধ্বনি কৰিছে সেই বাণী হৈছে 'আই মাতৃ মৃত নহয় মাথোন টোপনিত অচেতন হৈ আছে'; তাৰ নিমিত্তে আমি আজি অতি সামান্যভাৱে ইয়াত মাতৃপূজাৰ উদ্বোধনহে পাতিছোঁ মাথোন। মাতৃপূজাৰ ভাৱ আমাৰ অন্তৰত যেন চিৰন্তন হয়—আমাৰ প্ৰাণৰ লগত ই যেন ঘনিষ্ঠভাৱে সংবদ্ধ থাকে।

আজি ছাত্ৰসকলৰ মহাযজ্ঞ আৰু আমাৰ পৰম সৌভাগ্যৰ বলত এই যজ্ঞৰ হোতা ভাৰতীয় মনীষী প্ৰফুল্লচন্দ্ৰ আৰু যজ্ঞবেদী হৈছে স্বদেশ আৰু সমাজ। মাতৃমন্ত্ৰত দীক্ষিত হৈ আজি ইয়াতেই আমি নিজক আত্ম বলিদান দিবলৈ সাজু হব লাগিব।

প্ৰতিনিধিসকল, আজি এই মহাযজ্ঞত যি জনাক পূজাৰী কৰি লৈ আপোনালোকে আহুতি দিব খুজিছে তেখেতৰ প্ৰতিভা সম্যক বুজিবৰ আমাৰ ক্ষমতা ক'ত? তথাপি নিতান্ত স্থূল ভাবৰ পৰাও যি আদৰ্শ আমি দেখোঁ, তাৰে অনুমানো শক্তি অনুশীলন কৰিব পাৰিলেও আমি কৃতাৰ্থ হ'মহক। প্ৰথমতে চাওক তেখেতৰ হৃদয়ৰ প্ৰশস্ততা, মনৰ উচ্চতা, অন্তৰৰ প্ৰগাঢ়তা—স্বদেশ সেবাৰ প্ৰতি। নিঃকিন অসমীয়া ছাত্ৰসকলৰ

পৰ্য্যন্ত আহ্বান তেখেতে কেনে সাদৰে গ্ৰহণ কৰি, নিজৰ ভ্ৰাতৃৰ প্ৰতি কৰ্ত্তব্যৰ অনুৰোধ যেন জ্ঞান কৰি, কেনে আত্মোৎসৰ্গ কৰি, অশেষ ত্যাগ, অশেষ কষ্ট স্বীকাৰ কৰিও, ইমান আঁতৰলৈ, আমাৰেই উন্নতিৰ নিমিত্তে পথপ্ৰদৰ্শক হৈ আগ বাঢ়ি আহিছে!! তেখেত মানৱ শৰীৰত প্ৰত্যক্ষ দেৱতা, দেৱ ভাবেৰে পৰিপূৰ্ণ! দেৱ, নিঃকিন আমি, আপোনাক অভ্যৰ্থনা কৰিবলৈ আমাৰ সামৰ্থ্য ক'ত? ভাব-বিভোৰ আপুনি, অতি সামান্য হলেও আমাৰ হৃদয়ৰ অকৃত্ৰিম ভক্তিমাত্ৰ গ্ৰহণ কৰি আমাক ধন্য কৰোক। বন্ধুসকল, এখেতৰ যি মহান মাতৃপূজা আৰু দেশ সেৱাৰ আদৰ্শ, সেই আদৰ্শ অনুসৰণ নকৰিলে এখেতক যিবিলাক দুখ কষ্টৰ মাজেদি মাতৃমন্ত্ৰৰ পুৰোহিত কৰি ইয়ালৈ অনা হৈছে তাৰ দোষভাগী আমি হ'ম। সাধুসঙ্গৰ ফল তেতিয়াহে পায় যেতিয়া সেই সাধুক আমি সকল হৃদয়েৰে নহয়, প্ৰকৃত কাৰ্য্যেৰে চিনাকী দিব পাৰোঁ, তদ্ভাব ভাবিত হব পাৰোঁ।

এবছৰ দুবছৰকৈ ছাত্ৰসম্মিলনে চতুৰ্থ বছৰ পূৰ্ণ কৰিছে আজি তাৰেই চতুৰ্থ অধিবেশন। এই চাৰি বছৰত আসাম-ছাত্ৰ-সম্মিলনে বিশেষ তেনেকুৱা একো কাম কৰিব পৰা নাই। তাৰ কাৰণ হৈছে ছাত্ৰসম্মিলন এতিয়াও নিচেই নুমলীয়া, খোজে প্ৰতি বিপদৰ আশঙ্কা। তথাপিও আমাৰ সম্মিলন অসমীয়া ছাত্ৰসমাজৰ সমবেত শক্তিৰ জীবন্ত প্ৰতিমূৰ্ত্তি স্বৰূপ! প্ৰত্যেক ছাত্ৰই এই শক্তি সম্ভাৰত যোগদান কৰিলে সি ক্ৰমে মহতো মহীয়ান হৈ উঠিব। এই কেই বছৰৰ কাৰ্য্যাৱলী চালে দেখা যায় যে এটা আদৰ্শ মানি ছাত্ৰসম্মিলনে ক্ৰমাৎ আগ বাঢ়িছে। সেই আদৰ্শ হৈছে জাতীয় বীৰ পূজা। ইয়াৰ আন কাৰণো আছে, যেনেকৈ হিন্দুৰ কোনো পাৰিবাৰিক শুভ অনুষ্ঠান পিতৃপুৰুষৰ তৰ্পণ নোহোৱাকৈ সম্পন্ন হব নোৱাৰে তেনেকৈ

আসাম ছাত্ৰসম্মিলনত বীৰপূজা

কোনো জাতীয় অনুষ্ঠান জাতীয় মহাপুৰুষসকলৰ তৰ্পণ নকৰাকৈ হব নোৱাৰে। আমাৰ সম্মিলনেও এই আদৰ্শ অনুসৰণ কৰি আনন্দ ৰাম হেমচন্দ্ৰকে আদি কৰি জাতীয় ওজা সকলৰ স্মৃতিৰক্ষা কৰিবলৈ চেষ্টা কৰি জাতীয় বীৰপূজাৰ প্ৰকৃত চিনাকী দিছে। এই খিনিতে কৈ থোৱা আৱশ্যক যে আনন্দৰাম আৰু হেমচন্দ্ৰক অকল সম্মান দেখুৱাবলৈহে স্মৃতি-ৰক্ষাৰ আয়োজন কৰা হোৱা নাই, আম ৰ মাজৰ পৰা, অসমীয়া ছাত্ৰ সমাজৰ পৰা আনন্দৰাম হেমচন্দ্ৰৰ নিচিনা পণ্ডিত, সাহিত্যিক ইত্যাদি ওলালেহে স্মৃতিৰক্ষাৰ প্ৰকৃত উদ্দেশ্য সফল হব ।

## বৰ্ত্তমান অসমীয়া সমাজৰ প্ৰকৃত অৱস্থা ।

স্বদেশ আৰু সমাজসেৱা কৰিবলৈ হলে আমাৰ সমাজত কিনো ব্যাধি হৈছে, খুঁত বা দোষ ঠিক কোনখিনিতে আছে তাক ভালকৈ পৰ্য্যালোচনা কৰি আৰু আৰোগ্যৰ উপায় চিন্তহে কাৰ্য্যক্ষেত্ৰত নামিব লাগিব ।

শিক্ষা আৰু শিক্ষাবিস্তাৰ

প্ৰধানতঃ আৰু প্ৰথমতঃ আমাৰ দেশত শিক্ষাৰ অৱস্থালৈ চালে আমি নিৰাশ হঁও। জগতৰ মাজত আমাৰ ভাৰতবৰ্ষখনেই শিক্ষা বিষয়ত নগন্য আৰু সেই ভাৰতৰেই প্ৰদেশবিলাকৰ মাজত আসাম প্ৰদেশখন কত পাচত, আমাৰ মাজত মৌলিক গবেষণা কৰা ছাত্ৰ এতিয়ালৈকে ওলোৱা নাই, আৰু উচ্চশিক্ষাও নিচেই কম মানুহেহে পাইছে। জ্ঞানৰ মন্দিৰত আমি অস্পৃশ্য জাতি বুলি পৰিগণিত, তাত প্ৰবেশ লাভৰ অধিকাৰ আমাৰ নাই, লোকৰ উচ্ছিষ্টৰ কাৰণে বাহিৰত বাট চাইহে আছো মাথোন ।

ইফালে প্ৰাথমিক শিক্ষাতো আমাৰ সেই অৱস্থা। নিচেই কম মানুহেহে শিক্ষাৰ আৱশ্যকতা উপলব্ধি কৰিব পাৰিছে। সিদিনালৈকে অসভ্য বুলি পৰিগণিত হোৱা ফিলিপিন জাতিও আজি শিক্ষাৰ বাটত আমাতকৈ কত আগ বাঢ়িছে, আৰু আনকি মান জাতিয়েও বহুতো

বিষয়ত আমাক চেৰ পেলাইছে। ই কিমান লাজৰ কথা এবাৰ ভাবি চাওক। শিক্ষাই সকলো উন্নতিৰ মূল। দেশত শিক্ষাবিস্তাৰ নহলে কোনো বিষয়তে উন্নতি কৰিব নোৱাৰি।

আমাৰ দেশত প্ৰাথমিক শিক্ষাৰ বিস্তাৰ কি পৰিমানেৰে হৈছে তালৈ এবাৰ মন কৰোকচোন। ১৮৮১ অব্দত আমাৰ দেশত হাজাৰ কৰা ২৩জন মুনিহ মানুহ কহে একেবাৰেই নিৰক্ষৰ নহয় বুলিব পৰা গৈছিল, দহ বছৰৰ ভিতৰত অৰ্থাৎ ১৮৯১ অব্দত হাজাৰ কৰা ৬১ জন মানুহেহে নিৰক্ষৰতাৰ পৰা ৰক্ষা পালে। ১৯০ খ্ৰী অব্দত আৰু ৬ জনহে মাথোন সংখ্যাত বাঢ়িল অৰ্থাৎ হাজাৰ কৰা ৬৭ জনহে। ১৯১১ খ্ৰী অব্দত হাজাৰ কৰা ৮৬ জন মানুহ নাম চহী কৰিব পৰা হল। উন্নতিৰ গতিলৈ এবাৰ মন কৰোকচোন। অৱশ্যে ১৯১১ চনৰ পৰা এতিয়ালৈকে শিক্ষাবিস্তাৰৰ পৰিমান অলপ বাঢ়িছে, অৰ্থাৎ বছৰি শতকৰা প্ৰায় দহ জনকৈ বেচি লৰাই শিক্ষা পাইছে; তথাপিও আমাৰ আশাতীত হোৱা নাই। তিৰুতাৰ মাজত শিক্ষা বিস্তাৰৰ পৰিমান চালে, দুখ আৰু লাজে আৱৰি পেলায়হি। ১৮৮১ অব্দত হাজাৰত এজনী তিৰুতাইহে নিজৰ নাম কোনামতে চহী কৰিব পাৰিছিল; দহ বছৰৰ মাজত আৰু এজনীহে বাঢ়িল অৰ্থাৎ হাজাৰত দুজনী, ১৯০১ অব্দত যেনিবা হাজ ৰত চাৰি জনী হল আৰু ১৯১১ চনত ৬ জনীয়েহে নিৰক্ষৰতাৰ পৰা উদ্ধাৰ পালে। আমাৰ দুৰৱস্থাৰ কথা এবাৰ ভালকৈ ভাবি চাওক।

জগতৰ সকলো সভ্য জাতিয়েই অবৈতনিক শিক্ষাৰ আৱশ্যকতা উপলব্ধি কৰিছে। মাৰ্কিন দেশ, দেনমাৰ্ক, চুইজাৰলেণ্ড এই তিনখন দেশত অকল প্ৰাথমিক শিক্ষা নহয় হাইস্কুলবিলাকো অবৈতনিক। মাৰ্কিন আৰু ডেনীচ্ জাতিয়ে বিশ্ববিদ্যালয়বোৰ অবৈতনিক কৰি

শিক্ষাৰ বাট সুচল কৰি দিছে। ইমান ভীষণ ৰণত ব্যাপৃত থাকিও ইউৰোপীয় প্ৰায় সকলো জাতিয়ে পৰস্পৰক সকলো বিষয়ত চেৰ পেলাবলৈ শিক্ষাকেই যাই উপায় বুলি থিৰ কৰি শিক্ষা-সমস্যাবোৰ পূৰণ কৰিবলৈ যত্নৱান হৈছে। ৰণ চলি থাকোতেই লৰ্ড ফিচাৰে (Lord Fisher) শিক্ষাৰ এটা নতুন ব্যৱস্থালিপি বিলাতৰ পাৰ্লামেণ্ট সভাত অৱতাৰণা কৰিছে। সকলো দেশতেই জাতীয় নেতাসকল শিক্ষাসম্বন্ধে চিন্তাত বিশেষ ব্যস্ত। সকলোৱে নিজৰ দেশৰ আৰু সমাজৰ অৱস্থানুযায়ী শিক্ষাৰ আন্দোলন তুলিছে। মুঠতে কবলৈ হলে, সকলোৱে বেচকৈ বুজিব পাৰিছে যে দেশৰ ছাত্ৰসকলেই দেশৰ জীৱন্তশক্তি আৰু তেঁওলোকৰ ওপৰতেই দেশৰ ভৱিষ্যৎ উন্নতি আৰু জাতীয় কল্যাণ নিৰ্ভৰ কৰিছে। তেঁওলোকক উপযুক্ত শিক্ষা দিবলৈ, সৰ্ব্বাঙ্গীন উন্নত কৰিবলৈ সকলো জাতিয়েই বিশেষভাৱে চেষ্টা কৰিছে। এতিয়া আমাৰো সেই চেষ্টাৰ দিন আহিছে। আমাৰ দেশতো জাতীয় শিক্ষাৰ প্ৰবৰ্ত্তনৰ যুগ আহিছে।

আসামৰ মোট লোকসংখ্যা সত্তৰ লাখতকৈই অলপ বেচি। ইয়াৰ মাজত প্ৰায় ত্ৰিচ লক্ষ মানুহ সুৰ্মা উপত্যকা আৰু পাৰ্ব্বত্য বিভাগৰ; আসাম উপত্যকাতেই দহ বাৰ লাখ মান পৰ্ব্বতীয়া জাতি আছে। ইয়াৰ বাহিৰেও পঞ্চাচ হাজাৰমান বিদেশী মানুহ অৰ্থাৎ ভাৰতৰ ভিন ভিন প্ৰদেশৰ মানুহ আৰু ইংৰাজ তেনে আচলতে আসামত অসমীয়া মানুহ যোল লক্ষতকৈ অলপ বেচি। পৰ্ব্বতীয়া আদিম নিবাসী সকলক বাদ দিও অসমীয়াৰ অসম দেশত প্ৰায় ত্ৰিচ লক্ষ মানুহ বিদেশী আৰু তেওঁলোকৰ ভাষাও বিদেশী।

জন সমস্যা

তেন্তেনো কেনেকৈ আমি ইমান কম সংখ্যক মানুহ লৈ, স্বকীয়া ভাষা আৰু জাতীয় বিশিষ্টতা ৰক্ষা কৰিব পাৰিম। এই দৰে চলিলে আৰু কিছুদিনৰ মূৰতেই বিদেশীৰ অন্তৰ্ভূক্ত হৈ নিজৰ জাতীয় বিশিষ্টতা নিশ্চয়েই

হেকৰাব লাগিব। নহলে নিজ দেশতেই আওহেলা কৰিব পৰা সমাজ হৈ ( negligible minority ) পৰি থাকিব লাগিব।

মোৰ মনেৰে এনে জাতীয় বিপদৰ পৰা সাৰিবৰ একমাত্ৰ উপায় হৈছে, অসমীয়া ভাষা আৰু শিক্ষা প্ৰচাৰ কৰা। আমি অন্ততঃ পৰ্ব্বতীয়া জাতিবিলাকক যদি আমাৰ মাজলৈ সুমাব পাৰোঁ তেন্তে অতি সোনকালেই অসমীয়াৰ জাতীয়তাৰ ভেটি টনকীয়াল হৈ উঠিব আৰু ভাষা আৰু সাহিত্যৰ উন্নতিৰ বাটও সুচল হবৰ সম্ভাৱনা। আৰু লগে লগে অসভ্য জাতিবিলাকৰ মাজত জ্ঞানৰ পোহৰ পেলাই তেওঁলোকক অজ্ঞানতাৰ পৰা উদ্ধাৰ কৰাও হব। সেই কাৰণে ডেকা অসমীয়া সমাজে অসমীয়া ভাষা প্ৰচাৰ সমিতি ইত্যাদি পাতি কামত লাগিবলৈ মন দিয়া উচিত।

গোটেই আসাম দেশত সত্তৰ লাখ্ মানুহৰ মাজত প্ৰায় আটষট্টি লাখ্ মানুহেই গাঁৱলীয়া, চহৰীয়া মানুহৰ সংখ্যা মাথোন দুলাখ এঘাৰ হেজাৰ। আৰু গাঁওৰ সৰহ ভাগ মানুহেই খেতি বাতি কৰি জীৱিকা উপাৰ্জ্জন কৰিছে, অৰ্থাৎ শতকৰা পায় ৯০ জন মানুহৰে কৃষিই জীবিকাৰ এক মাত্ৰ উপায়। তেঁওলোকেই দেশৰ ধৰনী। বৰ্ত্তমান কৃষি প্ৰণালী আৰু কৃষি সম্বন্ধে বৈজ্ঞানিক শিক্ষাৰ কথা কবই নালাগে তেওঁলোকৰ মাজত শতকৰা চাৰি জনেহে নিজৰ নাম চহী কৰিব পাৰে আৰু বাকী সকলোবোৰ নিৰক্ষৰ, সৰহ ভাগ মানুহৰেই আৰ্থিক অৱস্থা বৰ শোচনীয়। যিসকল দেশৰ মেৰুদণ্ড, ( Backbone ) যি সকলে দেশ-বাসীৰ অন্ন যোগাইছে যি সকলৰ পৰিশ্ৰমৰ ফলত আমি জন্মভূমিক সুজলা সুফলা শস্য শ্যামলা বুলি কওঁ তেওঁলোক আজি নিৰ্ম্মম মহাজন সকলৰ নানা ফন্দীপূৰ্ণ ঋণজালত জৰ্জৰিত আৰু দুখ দাৰিদ্ৰ্যৰ কঠোৰ পেষণত প্ৰপীড়িত।

কৃষিৰ উন্নতি

দেশৰ এই বিলাক মানুহক আমি উন্নত কৰিব লাগিব। এই কাৰণে শিক্ষা প্ৰণালীৰ সংস্কাৰ নিতান্ত আৱশ্যক হৈ উঠিছে। বৰ্ত্তমান প্ৰাথমিক শিক্ষা প্ৰণালীত কৃষি শিক্ষা, শিল্প শিক্ষাৰ বন্দোবস্ত নাই। সেই ফালে ও চকু দিব লাগিব। কিন্তু এইবিলাকৰ লগে লগে সমবায় নীতিৰ প্ৰচাৰ অতি লাগতিয়াল। কাৰণ শিক্ষাই সাধন কৰা উন্নতিবিলাকক সমবায় নীতিয়েহে আৰু চিৰকীয়াল কৰি তুলিব পাৰে। সমবায় নীতিয়ে যে জগতত প্ৰভূত কল্যাণ সাধিছে আৰু আগলৈকে সাধিব সেই বিষয়ে অলপো সন্দেহ নাই। এতিয়া এই যুগতো সকলো জাতিয়ে ব্যৱসায় বাণিজ্য ইত্যাদিত আন জাতিক চেৰ পেলাবলৈ এই সমবায় নীতিকেই মূল মন্ত্ৰ বুলি মানিছে আৰু ইয়াৰেই মহিমা উচ্চ কণ্ঠে ঘোষণা কৰিছে। স্কটলেণ্ড দেশৰ উন্নতিৰ মূল হৈছে সমবায়। ভাৰতবৰ্ষৰো একমাত্ৰ মুক্তিৰ উপায় হৈছে সমবায় শিক্ষা। সেই বুলিয়েই ভাৰতসেৱক সমিতিৰ (Servant of India Society) সম্পাদক শ্ৰদ্ধাস্পদ দেবধৰ মহোদয়ে বোম্বে প্ৰদেশৰ কিছুমান স্কুলত সমবায় শিক্ষাৰ বন্দোবস্ত কৰিছে। আমাৰ প্ৰদেশৰ স্কুল কলেজতো এনেবিধ শিক্ষাৰ বিশেষ প্ৰয়োজন হৈছে। আমাৰ দেশৰ লুপ্ত ব্যৱসায়বিলাক উদ্ধাৰ কৰিবলৈ হলে সমবায়েই একমাত্ৰ উপায়। এই সমবায় নীতিৰেই মহাজনৰ কৰালগ্ৰাসত পতিত হোৱা দেশবাসীক মুক্ত কৰিব লাগিব।

আমাৰ দেশত এৰি পাট মুগা ইত্যাদি কাপোৰে জগতত এদিনাখন ওখ ঠাই পাইছিল। সেইবোৰ জাতীয় ব্যৱসায় আজি ধ্বংশৰ বাটত।

জাতীয় ব্যবসায়

তাৰ কাৰণ হৈছে লোকসমাজত শিক্ষাৰ অভাৱ, সমবায়ৰ অভাৱ, আৰু স্বাদেশিকতাৰ অভাৱ। আজি আমি বিদেশীৰ ক্ষণস্থায়ী বং চঙীয়া কাপোৰ পাই সেইবিলাক ত্যাগ কৰিলোঁ। যদি আমি নিজৰ জাতীয়তা, নিজৰ বিশিষ্টতা ৰক্ষা কৰি-

বলৈ ইচ্ছুক, তেন্তে আমি দেশৰ জাতীয় ব্যৱসায়বিলাক মৃত্যুৰ পৰা ৰক্ষা কৰিবই লাগিব। নহলে এই বিলাক পাহৰণিৰ কৰাল গ্ৰাসত পৰি দেশখনৰ অস্তিত্ব আৰু স্বাতন্ত্ৰ্য লোপ পাব। সেই কাৰণে এই বিশেষ বিভাগত (Sericulture) শিক্ষিত মানুহ লাগে আৰু যাতে দেশৰ মানুহে এই বিভাগত আধুনিক প্ৰণালীত শিক্ষালাভ কৰে, তাৰ নিমিত্তেও আমাক স্কুল লাগে।

আমাৰ দেশৰ স্বাস্থ্য সমন্ধে আপোনালোকে ভালকৈয়ে জানে। আমাৰ দেশখন মেলেৰীয়া ক'লাজ্বৰ ইত্যাদিৰ কাৰণে প্ৰখ্যাত। বছৰি শত কৰা

স্বাস্থ্য

৩০ জনকৈ মানুহে ইহলোক ত্যাগ কৰে। সভ্যদেশ বিলাকে দেশৰ মৃত্যুসংখ্যা কমাবলৈ যথেষ্ট চেষ্টা কৰিছে। আৰু সেইবিলাক দেশৰ লগত ৰিজাই চালে আমাৰ দেশত মৃত্যু সংখ্যা যথেষ্ট পৰিমাণে বেচি। আমাৰ দুই তৃতীয়াংশ মানুহে চিকিৎসাৰ অভাৱতেই সাংসাৰিক জীৱনৰ ওৰ পেলায়। আমাৰ দেশত ১০ খনহে মাথোন চিকিৎসালয় আছে। তাৰ ভিতৰত ৭১খন চৰকাৰী ১২৩ খন মিউ-নিচিপালিটি লোকেল বোৰ্ড ইত্যাদিৰ; আৰু ১৬ খন ধৰ্ম্মপ্ৰচাৰক সমিতি আৰু ৰেলৱে ইত্যাদিৰ। তেন্তে চাওক চিকিৎসাৰ বন্দোৱস্ত কেনে?

আমাৰ দেশত স্বাস্থ্যৰক্ষা সমন্ধে শিক্ষা-প্ৰচাৰ বৰ জৰুৰী হৈছে। দেশৰ মানুহক স্বাস্থ্য সমন্ধীয় নিয়মবোৰ শিকাব লাগিব। এই সমন্ধে ছাত্ৰ সন্মিলনে পুস্তিকা প্ৰচাৰ কৰিবলৈ গাত লৈছে। আশা কৰা যায় ইয়াৰ দ্বাৰা ভৱিষ্যতলৈ দেশত সুফল ফলিব।

শিক্ষা বিস্তাৰৰ প্ৰধান সহায় হৈছে সাহিত্য। যদি সাহিত্যৰ ফালে

সাহিত্য

চকু দিয়া যায় তেন্তে চাৰি ফালে অভাৱহে কেৱল দেখিবলৈ পোৱা যায়। সাহিত্যৰ সকলো বিভাগতেই অভাৱ সকলো বিভাগতেই দৈন্য। কি উচ্চ সাহিত্য, কি লঘু সাহিত্য

কোনো বিভাগতেই ওথ ধৰণৰ গ্ৰন্থ নাই বুলিলেই হয়। বিশ্ব-সাহিত্যৰ সোৱাদ পাবলৈ হলে আমি বিফল মনোৰথ হব লাগে।

জগতৰ উন্নতিশীল সাহিত্যৰ লগত ৰিজাবৰ সকামেই নাই। ভাৰতৰেই মাৰাঠী তেলেগু বঙ্গালী হিন্দী ভাষাৰ লগত ৰিজালে আমাৰ সাহিত্য কত তলত পৰে? আৰু আমাৰ বছৰি প্ৰকাশিত কিতাপৰ সংখ্যাও নিচেই তাকৰ। সাহিত্যৰ উন্নতিকল্পে ছাত্ৰসম্মিলনে যি চেষ্টা কৰিছে তাত আমাৰ সমবেত চেষ্টাৰ বিশেষ প্ৰয়োজন।

আমাৰ মাজত পাঠক সমাজ ( Reading public ) গঠন কৰিব নোৱাৰিলে আমাৰ সাহিত্যৰ অঙ্গপুষ্টি কেতিয়াও সাধিত হব নোৱাৰে। যি অসমীয়া সাহিত্যই এদিনাথন উন্নতিৰ উচ্চ সোপানত ভৰি দিছিল, যি সাহিত্যক শঙ্কৰ, মাধৱ, অনন্ত কন্দলী, ৰাম সৰস্বতী, ভট্টদেৱ আদিৰ সুললিত ৰচনাই সভাজগতত ওথ ঠাইৰ যোগ্য কৰিছিল, সেই সাহিত্যৰ আজি কি ভীষণ দুৰৱস্থা, আজি সেই অসমীয়া ভাষাত সাহিত্য চৰ্চ্চা নাই বুলিলেই হয়; আৰু সেই অসমীয়া সাহিত্য আজি লোকসমাজত অনাদৃত।

সৰ্ব্বশেষত কওঁ যে আমাৰ অভাৱ অভিযোগবোৰ অকল চককাৰক জনাই ক্ষান্ত থাকিলে নচলিব। মানুহ হবলৈ যি আচল চেষ্টা তাকো আমি নিজেই কৰিব লাগিব। কোনেও

আত্মনিভৰ

কাকো মানুহ কৰি দিব নোৱাৰে। ভিকহুৰ বৃত্তি এৰি স্বাবলম্বন নীতি বাচি লব লাগিব। কোনো জাতিক অইন জাতিয়ে উন্নত কৰি দিব নোৱাৰে আচল চেষ্টা নিজৰ পৰাই হব লাগিব অইনে মাথোন সহায় কৰিব পাৰে। দেশৰ সকলো শ্ৰেণীৰ মাজত আত্মোন্নতিৰ চেষ্টা ন জন্মিলে জাতীয় উন্নতি হব নোৱাৰে। এজন দুজন মানুহৰ চেষ্টাত গোটেই দেশ উন্নত হব নোৱাৰে। দেশৰ সকলো শ্ৰেণীৰ মানুহৰ

মাজত উন্নতিৰ আকাঙ্ক্ষা হব লাগিব। এই কাৰণে দেশৰ মানুহৰ ভিতৰত ডাঙৰ হবলৈ, উন্নত হবলৈ আকাঙ্ক্ষা ওপজাব লাগিব। দেশত আত্ম বোধ উদগাব নোৱাৰিলে কেতিয়াও আমি উদ্দেশ্যত সফলকাম হব নোৱাৰোঁ।

সমজুৱাসকল, মোৰ লেবলেবায়া কথাৰে আপোনালোকক আৰু সৰহ সময় আমনি কৰি অসুবিধাৰ বোজাৰ ওপৰত বোজা বঢ়াব নোখোজোঁ মুঠতে মাতৃপূজাৰ নিমিত্তে "সৌম্যা সৌম্যতৰা" মাতৃৰ সাদৰ আহ্বানত মাতৃসেৱাৰ কাৰণে, আকিঞ্চন আমি সেই মাতৃৰ সন্তান বুলি, আমাৰ শক্তিহীন সাদৰ অভ্যৰ্থনাত আপোনালোক সম্মিলিত হৈছে; মাতৃসেৱা ভাব প্ৰণোদিত হৈ আপোনালোকে আমাৰ শত ক্ৰটি মাৰ্জ্জনা কৰিব বুলি আমাৰ বিশ্বাস। ক্ষুদ্ৰ জ্ঞান, ক্ষুদ্ৰ শক্তি সম্পন্ন আমাৰ পূজা সম্ভাৰত শত শত দোষ আছে, এনে কি বিধিবৎ সম্ভাষণকে কৰিব পৰা নাই। আশা কৰোঁ অতীত কীৰ্ত্তি স্মৃতি বিজৰিত হৈ আমাৰ সম্ভাষণ গ্ৰহণ কৰি এতিয়া আপোনালোকে মাতৃপূজাৰ অৰ্ঘ্য ৰচনাত যত্নৱান হ'ব।

শ্ৰী অমিয়কুমাৰ দাস।

# PRESIDENTIAL ADDRESS.

I confess I feel great hesitation and reluctance in accepting the honour which you have been pleased to confer upon me. In the first place my attention has been, of late, very much distracted by a self-imposed task—namely the delivery of a course of lectures to the Calcutta student community on the Bread Problem, the Evils of the Caste system and so forth. Secondly, the fact that you have chosen a Bengali to be your spokesman on this occasion makes my position rather awkward and delicate. Thirdly, my very vocation disqualifies me, I am afraid, for the position you have thrust upon me. The laboratory has been the solace of my life and the scene of my activity—with the test tube conversing I forgot the lapse of time and immured within its four walls, for the last 33 years—exactly one third of a century—I have not been able to keep myself in touch with the outside world. I have come here more as a learner than as a teacher and I therefore crave your indulgence for the many imperfections. I said just now that it was with considerable diffidence that I undertook to preside over your deliberations on this occasion. I soon felt

however that your request was of the nature of a mandate to me. For the last thirty years, it has been my privilege to pursue the sacred vocation of a teacher. I have lived and moved amongst the students of Bengal; their joys have been my joys and their sorrows my sorrows. I have shared their hopes and aspirations—outside the student community I am like a fish out of water. As a Hindu standing in the vicinity of the ancient *Pragjyotisha* I am overpowered with peculiar feelings. While a portion at any rate of the neighbouring district outside your province, is often subject to the reproach of being a পাণ্ডব বিবর্জ্জিতদেশ (i. e. a spot not coming within the purview of the Pandavas) your land is replete with associations connected with the episodes in the *Mahabharata*. The heroic deeds of Bhagdatta as narrated in that great epic still exercise the imagination of the youth of India and the reputation which your province still enjoys as a land of magic and incantations and Tantric rites fills one with awe and wonder. Nor must I omit here the rock inscription near your town which gives the name of Harjjara Varman who ruled in 830 A. D. Assam is thus the hallowed land for our countrymen, hory with traditions of by-gone ages.

## MODERN ASSAM—ITS NEEDS

Let us not trouble ourselves with the dead past but come to modern times and the living present, The first thing that strikes me is that Assam is fairly a

large province; its area is 53,000 sq, miles. almost two thirds of that of Bengal (78,00c sq: miles). But the population of Assam is only seven millions and odd whilt that of Bengal is 45 millions. You will be surprised to hear that the district of Mymensingh alone in Bengal has a population of 4½ millions. The density of population in Assam is 115 while in Bengal it is 534 per sq. mile. It should also be remembered that the number of immigrants settled in Assam, mostly time expired tea-garden labourers, constitutes about 15 per cent of the population. While the ancient history of Assam will fill you with pride, the stern facts of modern times should give you ample food for serious reflection and anxious thought. As College students you are studying economics as applied to European countries but I am afraid the serious and critical economic outlook of the land of your birth scarcely enter into your everyday calculations.

Your education cannot and ought not to be divorced from the needs of actual life—you ought to have a practicab'e ideal before you. The current notion must be given up that the end of a student's life is to pass examinations. In our country *a means has usurped the place of an end.* For, examination is, after all, a test and very imperfect test of our intellectual capacity. It is well nigh forgotten that the object of education is not storing the mind with ill-digested information but the development of our faculties. On the intellectual side the powers of observation

and reasoning have to be cultivated. In our schools and colleges only the memory is developed at the expense of other faculties. The fault is not yours; it belongs to the system for which your elders are responsible. Our country is in a transitional state—there is often a wide gulf intervening between the ideas ruling one generation and the next. A lawyer often insists that his son should become a lawyer whether the latter has any taste or aptitude for the profession or not. Emerson truly says that benefactors sometimes become the worst malefactors and parents the enemies of their children as they try to force their crystallized views and opinions on the latter.

You should be on your guard against accepting current opinions simply because they pass unchallenged in the society in which you move. Take nothing on trust; learn to think for yourselves. On the moral side you must improve the capacities for industry, patience, courage and self control. We are lacking in the strength of will—that is what more than anything else differentiates us from an average European. Merely negative virtues do not avail much in this world. It is not enough that you are not unjust and cruel; but you must try to put a stop to injustice and cruelty in the country. Your virtues should be manly—our virtues are more of the passive kind. Remember that courage is the first of virtues. While these general reflections apply to all, you should

bear in mind that as students your first duty will be to learn. Whatever subject you have liking for, you must strive to study and learn. For, it is not given to every one of you to continue your studies in the same way when you enter life. After all, what you learn from books is only an insignificant fraction of what you can gather from every day experience in life provided you keep your eyes and ears open. The besetting sin of our young men is that they are critics of a subject before they have acquired any knowledge about it. You must avoid the life of a drift Don't be like dumb driven cattle but be a hero in the strife—have an ideal of your future even in your youth and try to work at it. This question has a practical bearing and is permanently connected with your career in life. The only aim of a young man at the present day is to be a doctor or a lawyer or a professor. The paths of these learned professions are beaten tracks—they won't lead you to the gold mines—these are now paths of starvation. You must take to new walks of life—to industry, commerce and trade. Your province is a rich field for agriculture. Tea has revolutionised Assam but it is practically in the hands of foreigners. This plant is indigenous to Assam and was discovered during the first Burmese War. Nearly 3,67,000 acres of land are under tea-cultivation and it is estimated that the capital value of the gardens is about 15 millions sterling. Assam, as I have said, is the place for agriculture. The net area of your province

# হিন্দু ৰসায়ন শাস্ত্ৰৰ প্ৰাচীনত্ব।

## হিন্দু ৰসায়নত উদ্ভব।

পুৰণি কালৰ সভ্য জাতি বোৰৰ মাজত ৰসায়ন চৰ্চ্চাৰ বিষয়ে অনুসন্ধান কৰিলে পোৱা যায় যে সেই সময়ত ঔষধ প্ৰস্তুত কৰাৰ নিয়ম প্ৰণালী; খনিজ পদাৰ্থৰ পৰা ধাতু প্ৰস্তুত কৰা প্ৰণালী; আৰু কিছুমান প্ৰয়োজনীয় শিল্প-বিদ্যা ইত্যাদিয়েই ৰসায়ন বিজ্ঞানত পৰিগণিত হৈছিল; আৰু সেই সময়ৰ ৰসায়নিক সকলৰ মাজত এটা দৃঢ় বিশ্বাস আছিল যে এটা ধাতুক আন এটা ধাতু লৈ পৰিবৰ্ত্তিত কৰিব পাৰি। য়ুৰোপতকৈ ভাৰতবৰ্ষত হে, ৰসায়ন-বিজ্ঞান, চিকিৎসা শাস্ত্ৰৰ প্ৰধান অঙ্গ স্বৰূপ আছিল। কিন্তু কিছুমান দিনৰ পাচত ৰসায়ন শাস্ত্ৰ তান্ত্ৰিক-শাস্ত্ৰৰ লগত লগ খাইছিল। কাৰণ বহুত ঠাইত পোৱা যায় যে দেৱতা সকলে অনুগ্ৰহ নকৰিলে ঔষধৰ গুণাগুণ একো নধৰে। আকৌ খনক বেদত আমি পাওঁ যে—ঔষধৰ ঈশ্বৰ অশ্বিনাকুমাৰ সকলক প্ৰাৰ্থনা কৰাত তেওঁবিলাকে চকু আৰু ঘোঁৰাৰ ভাগ কৰি দিছিল। এই দেৱতা দুজন গ্ৰীক সকলৰ পুৰাণৰ "ডায়চ কেইৰয়ৰ" লগত বহুত কথাত মিলে। সাধু কথাৰ দৰে চলি অহা এটা আচৰিত প্ৰবাদ আছে যে এখন যুদ্ধত কুমাৰী বিষপালৰ (Vispala) ভৰি এটা কটা যোৱাত অশ্বিনীকুমাৰে তৎক্ষণাৎ তেওঁক এটা লোহাৰ ভৰি লগাই দিছিল।

ঋগ্বেদৰ যাই দেৱতা কেইজনৰ নাম বহুত মূল পদাৰ্থ আৰু স্বাভাৱিক ঘটনাৰ (Phenomena) নামেৰে সৈতে মিলে; যেনে বায়ু, অগ্নি,

ইত্যাদি। কিন্তু আমি মাজে মাজে পাওঁ যে আচৰিত উগ্ৰ গুণ থকা কিছু-মান গছ লতাক দেৱতাৰ শ্ৰেণীলৈ তুলি দেৱতাৰ দৰে মান সৎকাৰ কৰা হৈছিল। সোমলতাৰ নাম সকলোৱে জানে। সেই লতাৰ উত্তেজক গুণৰ কাৰণে বৈদিক যুগৰ মানুহে সোমলতাক নথৈ প্ৰশংসা কৰিছিল। আনকি সোমলতা ৰসক অমৃতৰ লগত তুলনা কৰিছিল। এই জগদ্বিখ্যাত ৰসেই দেৱতা সকলক অমৰ কৰিছিল; এই ৰসেই ৰুগীয়াৰ ৰোগ ভাল কৰিছিল আৰু সোম দেৱতাই ইচ্ছা কৰিলেই যাকে তাকে ৰোগমুক্ত কৰিব পাৰিছিল। কিন্তু পাচত পোৱা যায় যে এই সোমৰসতেই আৰু ইয়াৰ গুণতেই হিন্দু ৰসায়নৰ বীজ প্ৰথমে ওপজে।

সেই দৰে আন আন গছলতাবোৰকো দেৱত্মাৰ তুলি বুলি পূজা কৰিছিল। আৰু গছলতাবোৰে ৰোগ ভাল কৰা কাৰণে বেদৰ এক অধ্যায় সিহঁতৰ শলাগনীৰ বাবেই লিখা হৈছিল। আকৌ আন এটা এটা স্তোত্ৰত আমি পাওঁ।

"হে বৰুণ দেৱতা! শত সহস্ৰ ঔষধ তোমাতেই, কিন্তু গছলতা বোৰত যে ৰোগনাশ কৰিব পৰা গুণ আছে:তাৰ বিবৰণ অথৰ্ব বেদত হে ভালকৈ দিয়া আছে। তাৰ লগে লগে গছলতা বোৰৰ পৰা পোৱা মোহিনী, যাদু ইত্যাদিৰ দৰৱৰ বিষয়ে বহুত কথাত লিখা আছে। "অপ-মাৰ্গ" নামেৰে এবিধ গছ এতিয়াও হিন্দু চিকিৎসা শাস্ত্ৰত বৰ প্ৰয়োজনীৰ। পুৰণি কালতো সেই গছ জোপাক "ঔষধেশ্বৰী" ইত্যাদি নামেৰে অভিহিত কৰি মানুহে পূজা কৰিছিল। আন এটা স্তোত্ৰত আকৌ সোমলতাৰ কথা এই দৰে লিখা আছে।

"মই মানুহক; পান কৰিবলৈ অমৃতৰ নিচিনা গুণ থকা এই ৰস দান কৰোঁ। তদুপৰি মই এনে এটা ঔষধ প্ৰস্তুত কৰোঁ যাক খালে মানুহ শত বৰ্ষায়ু হয়।"

ক'লা বৰণীয়া গছ এবিধৰ পৰা কুষ্ঠ ৰোগৰ ঔষধ প্ৰস্তুত কৰা হৈছিল। ভালকৈ চুলি গজাবলৈ প্ৰস্তুত কৰা এটা ঔষধৰ কথাত এই দৰে উল্লেখ কৰা আছে।

"হে লতে! পৃথিবীত তুমি দেবীৰূপে জন্ম গ্ৰহণ কৰিছা; হে নিত্যানি! আমি তোমাক খানি আনি তোমাৰ পৰা চুলিৰ শক্তি বৃদ্ধি কৰা ঔষধ প্ৰস্তুত কৰোঁ।"

"পুৰণি চুলিবোৰ শক্তি বৃদ্ধি কৰি তুমি নতুন কৰা নতুনকৈ গজা বোৰক আকৌ অধিক সৌন্দৰ্য্যেৰে ভূষিত কৰা।

## চিকিৎসাবিদ্যা এটা বেলেগ বিখ্যাত পৰিণত হয়।

বৈদিগ যুগত যদিও ভিন্ ভিন্ জাতিৰ ভিন্ ভিন্ ব্যৱসায় নাছিল তথাপি চিকিৎসা বিদ্যাত ইমান প্ৰয়োজনীয় হৈ পৰিছিল যে ডাঙৰ ডাঙৰ পৰিয়াল বোৰত একোজন হৈঁত মানুহে এই বিদ্যা শিকিছিল। ঋগ্বেদত এজন ঋষিয়ে শুৱলাকৈ লেখিথৈ গৈছে "চোঁৱা মই স্তোত্ৰ লিখোঁ, মোৰ পিতাই চিকিৎসা বিদ্যা অৱলম্বন কৰে আৰু মোৰ মাতৃয়ে ঘৰত জাতঁত শস্য ভাঙে। আমি আটাই কেইজনে ভিন্ ভিন্ কামত লাগি গৈছোহঁক।"

"বহুত কবি দিভ দশৰ নিচিনা ৰাজকুমাৰ আৰু অঙ্গ্ৰীয় ফৈদৰ নেতাৰ নিচিনা মানুহ সকলেও চিকিৎসা বিদ্যা অৱলম্বন কৰিছিল আৰু আনৰ ৰোগ ভাল কৰি নিজে গৌৰবান্বিত হৈছিল।"

"চিকিৎসা বিদ্যাত যি পাৰ্গত তেওঁ য'ত থাকে তাৰ চাৰিওফালে গছ লতাৰে ভৰা আৰু তেওঁ জ্ঞান উপাৰ্জ্জনৰ কাৰণে অহৰহ যত্ন কৰি সময় কটায়।" এতিয়া দেখা গ'ল যে ঋগ্বেদতো আমি প্ৰাচীন চিকিৎসা প্ৰণালীৰ বিষয়ে বিৱৰণি পাওঁ।

## হিন্দু ঔষধবিদ্যাৰ প্ৰাচীন বিবৰণী।

অথৰ্ব বেদত বেচিকৈ মোহিনী-বিদ্যা, ডাইনী বিদ্যা ইত্যাদিৰ কথাহে আছে। তাত পাপীৰ কাৰণে উগ্ৰ শাস্তিৰ বিধান দিয়া আছে; শত্ৰুক বিনাশ বা অনিষ্ট কৰিবলৈ ডাইনী-বিদ্যাৰ বিষয়ে লিখা আছে, আৰু নানা-বিধ গছ লতাৰ পৰা ঔষধ প্ৰস্তুত কৰি স্ত্ৰী প্ৰণয় লাভ কৰিবলৈকো উপায় দিয়া আছে।

ওপৰত্ত কৈ অহা কথাবোৰ মিচৰ দেশৰ পুৰণি বিবৰণতো পোৱা যায়। পুৰণি কালৰ মিচৰবাসী বোৰ আৰু গ্ৰীকবোৰ যাদু বিদ্যাৰ কাৰণে বিখ্যাত আছিল; আকৌ অথৰ্ববেদ আৰু "Deyden'" অৰ সাঁচিপতিয়া পুথিৰ লগত বহুত বিষয়ত মিলে। এই সাঁচিপতিয়া পুথি বোৰত যাদুবিদ্যা, জ্যোতিষ, ৰসায়ন আৰু ঔষধৰ বিষয়ে উল্লেখ কৰা আছে।

হিন্দু চিকিৎসা শাস্ত্ৰত ডাইনী আৰু ৰসায়ন বিদ্যা সদায় সংক্ষিপ্ত হৈ থকাৰ কাৰণে সেই কালত চিকিৎসক সকলক "যাদুকৰ" ( Practiser of the black art ) বুলি সমাজত ঠাই দিয়া হৈছিল। মহাভাৰতত এই কাৰণেই বৈদ বোৰক অপবিত্ৰ বুলি কৈ গৈছে। কিন্তু এই বোৰৰ সত্বেও অথৰ্ববেদে সেই সময়ত মানুহৰ মাজত ওখঠাই লাভ কৰিছিল। কাৰণ ইয়াত লিখা কথাবোৰত সকলো মানুহৰে দৃঢ় বিশ্বাস আছিল আৰু বহুতে ভাবিছিল যে ৰজামহাৰাজ সকলৰ শত্ৰুক ধ্বংশ কৰাত সচাকৈয়ে সহায় কৰিছিল।

অথৰ্ববেদত বেমাৰ ভাল কৰিবলৈ লিখা স্তোত্ৰ বোৰ "ভৈষাজানি" আৰু দীৰ্ঘায়ু আৰু স্বাস্থ্যলাভ কৰিবলৈ লিখা স্তোত্ৰ বোৰ "আয়ুষ জানি" বুলি জনাজাত আছিল। আয়ুষ জানি শব্দ পাচত ৰসায়ন শব্দত পৰি-বৰ্ত্তিত হলগৈ। ৰসায়ন মানে আচল আজি কালিৰ "Chemistry" নহয়। ইয়াৰ প্ৰকৃত অৰ্থ হৈছে যাক ইংৰাজীত "Alchemy" বোলে।

মূল পদাৰ্থ আৰু মণি মুকুতাক যে দেৱতাৰ থাপনৈ তুলি মান সৎকাৰ কৰা হৈছিল তাৰ বহুত প্ৰমাণ পোৱা যায়। শামুকৰ মুকুতা আৰু সোনক এই বুলি প্ৰশংসা কৰা হৈছিল যেনে—

"স্বৰ্গত আৰু সাগৰত জন্ম হোৱা, সিন্ধু নৈত ডাঙৰ দীঘল হোৱা এই সোনোৱালী মানিকেই আমাৰ জীৱন সুদীৰ্ঘকাৰী মহৌষধ।"

"দেৱতা সকলৰ হাড় মানিকত পৰিণত হয়। আৰু সেয়ে জীৱন প্ৰাপ্ত হৈ পানীত থাকে। তাকে দান কৰি মই তোমাক, প্ৰফুল্লতা, শক্তি আৰু দীৰ্ঘায়ু প্ৰাপ্ত কৰো। প্ৰাৰ্থনা কৰোঁ যেন মানিকেই তোমাক বিপদৰ পৰা ৰক্ষা কৰে।"

"অগ্নিৰ পৰা সোণৰ উৎপত্তি আৰু সোন দেৱতা সকলে মানুহক দান কৰে। যেয়ে সোন চিনি পায় তেৱেঁও সোন পাবৰ যোগ্য। আৰু যেয়ে সোন গাত পিন্ধে তেৱেঁই বহুত দিন জীয়ে।"

"সোণে সূৰ্য্যৰ পৰা উজ্জল বৰণ পায়। পুৰণি কলিয়া মানুহ বোৰে সোন লাভ কৰিবলৈ বৰ আকাঙ্ক্ষা কৰিছিল। এই সোনেই যেন তোমাক উজ্জলতাৰে আবৰি থাকে। যেয়ে সোন পিন্ধে তেৱেঁই বহুত দিন জীয়ে।"

সেই সময়ৰ মানুহ বোৰে সোনক দীৰ্ঘায়ু কৰাৰ সীহক ডাইনী বিদ্যাৰ বশীভূত হোৱা আৰু ভূতে পোৱাৰ মহৌষধ বুলি ভাবিছিল। কাৰণ এঠাইত লিখা আছে, "সীহক বৰুণে বৰ দিছে সীহক অগ্নিয়ে সহায় কৰে। ইন্দ্ৰই মোক সীহ দান কৰিছে। সেই কাৰণে সীহে নিশ্চয় ডাইনী বিদ্যাৰ ফল নষ্ট কৰিব।"

অথৰ্ববেদ লিখাৰ সময়ত সোন আৰু সীহৰ সমন্ধে যি ৰসায়নিক আভাষ পোৱা যায় তাক পঢ়িবলগীয়া।

চিকিৎসা শাস্ত্ৰৰ ছাত্ৰৰ কাৰণে অথৰ্ববেদ এই কাৰণেই প্ৰয়োজনীয় যে ইয়াক চিকিৎসা শাস্ত্ৰৰ বিষয়ে অতি পুৰণি কলীয়া বিবৰণ পোৱা যায়।

# আয়ুর্ব্বেদিক যুগ ।

এই সময়তে হিন্দু ঔষধ প্ৰণালী লাগবান্ধ লগাই সুদৃঢ় কৰা হয় । এই যুগতে "চৰক" আৰু "শুশ্ৰুৰত" নামেৰে দুখন বিখ্যাত বৈজ্ঞানিক কিতাপ ৰচা হয়, আৰু এই কেইখন পঢ়িলে আমি পাওঁ যে এই সময়তে ৰসায়ন শাস্ত্ৰ চৰ্চ্চাই বৈদিক যুগৰ লাগবান্ধ নথকা অৱস্থাৰ পৰা উদ্ধাৰ পাই বহুত উন্নতি প্ৰাপ্ত হয় ।

## চৰক আৰু শুশ্ৰুত ।

দুয়োখন কিতাপৰ মাজত "চৰক"খন বেচি পুৰণি বুলি বোধ হয় । অথৰ্ব্ববেদ আৰু চৰক দুয়োখন লিখা সময়ৰ মাজত বহুত ব্যৱধান আছিল । আৰু বোধ কৰোঁ এই ব্যৱধান এহেজাৰ বছৰৰ কম নহব । "চৰকত" বেমাৰ চাই চিন ধৰাৰ বিষয়ে বৰসুন্দৰকৈ লিখা আছে, আৰু বেলেগ বেলেগ বেমাৰ বোৰ বৰ স্পষ্টকৈ বেলেগ বেলেগ ভাগত বিভক্ত কৰা হৈছে । আমি আগেয়েই দেখি আহিছো যে বৈদ্যবোৰক সমাজত তলঠাই দিয়া হৈছিল আৰু চিকিৎসা বিদ্যা বেদৰে এভাগ বুলি কাৰো মনত নেখেলাইছিল । কিন্তু আয়ুৰ্ব্বেদৰ নিচনা নিতান্ত প্ৰয়োজনীয় বিজ্ঞানৰ মান একেবাৰেই লুপ্ত হোৱাটো অসম্ভৱ, গতিকে লাহে লাহে শেষত এই অসুবিধা এক প্ৰকাৰ দূৰ হল । চৰকত পোৱা যায় যে আয়ুৰ্ব্বেদ অথৰ্ব-বেদৰ এটা শাখাহে আছিল । আৰু ইয়াক সূত্ৰ বা দেৱতা সকলৰ মুখৰ পৰা প্ৰকাশ হোৱা সত্য বোলা হৈছিল ।

শুশ্ৰুতত লিখা আছে যে ব্ৰহ্মাই আয়ুৰ্ব্বেদ অথৰ্ব্ববেদৰ শাখা স্বৰূপেহে সৃজন কৰিছিল ।

## চৰক কেতিয়া লিখা হৈছিল।

আমি এতিয়া "চৰক" কেতিয়া লিখা হৈছিল তাকে জানিবৰ কাৰণে চেষ্টা কৰিম। কিন্তু ই বৰ সহজ কাম নহয় Mr. Sylvain Levi নামৰ এজন পাশ্চাত্য পণ্ডিতে চিনদেশৰ "ত্ৰিপিতকৰ" পৰা উদ্ধাৰ কৰা কিতাপ এখনত চৰক নামে এজন প্ৰসিদ্ধ চিকিৎসকৰ কথা পাইছে। এই জন "চৰক" Scythian ৰাজ কনিষ্কৰ ৰাজগুৰু আছিল। কনিষ্কয় কিন্তু খ্ৰীষ্টাব্দৰ ২য় শতিকাত ৰাজত্ব কৰিছিল। সেই ফৰাচী পণ্ডিতজনে কব খোজে যে এই জন চৰকেই প্ৰসিদ্ধ হিন্দু আয়ুৰ্ব্বেদ শাস্ত্ৰৰ গ্ৰন্থকাৰ। এই অনুমান মতে "চৰক" কিতাপখনত যে অলপ গ্ৰীক ভাবৰ সানমিহলি আছে তাক ভালকৈ বুজাব পাৰি। আমি Levi চাহাবৰ অনুমান সঁচা বুলি কেতিয়াও স্বীকাৰ নকৰোঁ। যদি কেৱল নামে নামে অনুসন্ধান কৰা যায় তেন্তে চৰক যে বহুত দিনৰ আগেয়ে আছিল তাক আমি ভালকৈ প্ৰমাণ কৰিব পাৰোঁ। কাৰণ চৰকৰ নাম বেদতো পোৱা যায়। আকৌ চৰকৰ শিষ্যবোৰক "চৰক" বুলিবলৈ পাণিনীয়ে এটা বেলেগ সূত্ৰৰ সৃষ্টি কৰি গৈছিল। গতিকে চৰক পাণিনীৰ বহুত আগেয়ে আছিল বুলি কব পাৰি। আমি জানো যে পাতঞ্জলা খৃঃ পূঃ ২য় শতিকাত জীয়াই আছিল; কিন্তু পাতঞ্জলায়ে চৰকৰ আয়ুৰ্ব্বেদাক গ্ৰন্থৰ বিষয়ে সমালোচনা কৰি যে গৈছিল; ইয়াৰ পৰা ধৰিব পাৰি যে যে চৰক চাইচিতি গঢ়গতি লগাই দিছিল এই কথাত চক্ৰপাণি আৰু "ভোজ" দুয়ো মত দি গৈছে। সঁচাকৈয়ে কবলৈ গলে এনেকুৱা সন্দেহ জনক বিষয়ৰ মীমাংসা কৰোঁতে স্বদেশী মানুহৰ আখ্যান মতেহে শক শতিকা থিক কৰা যুগুত। চৰক যে বৌদ্ধ যুগৰ আগেয়ে জীৱিত আছিল সেই বুলিকৈ তৰ্ক কৰাটো আমাৰ ইচ্ছা নহয়। ইয়াৰ থাই উদ্দেশ্য পাছত হে কোৱা যাব। চৰকত শুশ্ৰুতৰ নিচিনাকৈ কথাবোৰ

গঢ়গতি লগাই বৰ্ণোৱা হোৱা নাই। "চৰকৰ" গ্ৰন্থকাৰে মাজে মাজে অ'ত ত'ত থপৰাচ ধৰে; গতিকে পাঠকে একেটা বিষয়ে লাগি নিছিগাকৈ একেবাহে পঢ়ি যাবলৈ নাপায়। 'চৰকত' গ্ৰন্থকাৰে যেতিয়াই অলপ সুবিধা পায় তেতিয়াই ঈশ্বৰৰ বিষয়ে আলোচনা আৰম্ভ কৰে; কাৰণ তেখেতৰ মনেৰে এনেকুৱা আলোচনাই বৈজ্ঞানিক পৰীক্ষাৰ ( Experiment : অভাৱ পুৰালেহেতেঁন। এই বিষয়ত শুশ্ৰুত চৰকতকৈ বেচি বৈজ্ঞানিক কথাৰে পূৰ্ণ। শুশ্ৰুততো "ন্যায়" আৰু বৈশেষিক দৰ্শন শাস্ত্ৰ আজিকালিৰ নিচিনা লাগবান্ধ লগা নাছিল। এই কথা কেষাৰ প্ৰমাণ কৰে যে চৰক বহুত দিনৰ পুৰণি গ্ৰন্থ।

## চৰকত পুৰণি দেব দেবী সকলৰ কথা পোৱা নাযায়।

আকৌ দেখা যায় যে 'চৰকত' বেদৰ দেৱতা সকলৰ আৰু বৈদিক মন্ত্ৰৰ উল্লেখ কৰা আছে; কিন্তু পৌৰাণিক দেবদেবী সকলৰ কথা তাত একো নাই। চৰকৰ গ্ৰন্থকাৰে আনকি মানুহৰ গাত কেইডাল হাড় আছে তাৰ মীমাংসা কৰোতেও বেদ অনুসৰিহে চলিছিল। চৰকৰ মতে ৩০ বছৰ বয়সলৈকে লৰা কাল থাকে। এইষাৰ কথা তেতিয়াৰ বীৰ যুগ ( Heroic age ) অৰ সময়তহে শুৱাই।

এইটো কিন্তু মনত ৰাখিব লগীয়া যে আমি চৰকখন আজি কালি যেনে অৱস্থাত পাইছোঁ তাৰ পৰা ধৰিব পাৰি যে এই খন হিন্দু চিকিৎসা বিদ্যাৰ প্ৰথম ৰচনা বা গ্ৰন্থ নহয়। যেনেকৈ পাণিনীয়ে তেওঁৰ বিখ্যাত ব্যাকৰণ খন তেওঁৰ আগেয়ে ৰচিত হোৱা ২০ খন প্ৰসিদ্ধ গ্ৰন্থৰ পৰাহে উদ্ধৃত কৰি লেখিছিল। সেই দৰে "চৰক খনো আয়ুৰ্ব্বেদীক চৰ্চ্চা ভাৰতত বহুত উন্নতি প্ৰাপ্ত হোৱাৰ পাচত হে লিখা হৈছিল।

## হিপক্ৰেটিচৰ দ্বাৰা লিখা গ্ৰন্থ।

গ্ৰীক চিকিৎসা শাস্ত্ৰৰ বুৰঞ্জীতো হিপক্ৰেটিচৰ আগেয়ে এনেকুৱা কিছুমান কথা পোৱা যায়। Draper চাহাবে কৈছে :—

যি বোৰ গ্ৰন্থ হিপক্ৰেটিচৰ দ্বাৰা ৰচিত বুলি জনাজাত সেই বোৰৰ সৰহ ভাগেই তেওঁৰ পৰিয়ালৰ মানুহ বা তেওঁৰ সন্তান সন্ততি বা তেওঁৰ শিষ্য সকলৰ দ্বাৰাই যে লিখিত হৈছিল, তাত একো সন্দেহ নাই। টলিমিৰ সময়ত ( Ptolemies :সাহিত্যত "জুৱাচুৰী" যিদৰে চলিছিল, তাৰ পৰাই কোন খন গ্ৰন্থ কোনে আচলতে লেখিছিল তাক নিৰ্ণয় কৰা বৰ টান হৈ পৰিছে। হিপক্ৰিটিছে বিদ্বান বুলি যিমান নাম আছিল তাৰৈ চাই হলে কিতাপ কেইখন তেওঁৰ নামৰহে যোগ্য। তেওঁৰ নিচিনাকৈ কোনেও সুন্দৰ স্পষ্ট বিবৰণি লেখিব পৰা নাই। ইত্যাদি ইত্যাদি।

## ভাষাৰ পৰা অনুমান।

চৰকৰ সুৰলা গদ্যভাষা পঢ়িলে বেদৰ ব্ৰাহ্মণলৈ মনত পৰে। বুলাৰ (Bullar) আৰু ফ্লিট (Fleet) চাহাবৰ নতুন অনুসন্ধানৰ ফলতহে আজি কালি আমি খৃঃ আঃ দ্বিতীয় শতিকাৰ "কাব্যৰ" অলপ আভাস পাইছোঁ। "গিৰ্ণৰ আৰু নাছিকৰ পোৱা গদ্য সাহিত্যৰ ভাষা যদিও খৃঃ অঃ সপ্তম শতাব্দীৰ "সুবন্ধু" আৰু বানৰ ভাষাৰ নিচিনা অলঙ্কাৰেৰে বিভূষিত নহয়, তথাপি ইয়াত বহুত ডাঙৰ ডাঙৰ "metaphor" আৰু alliteration আছে। আৰু ইয়াৰ ভাষা আৰু চৰকৰ শুৰলা, অলঙ্কাৰ শূন্য ভাষাৰ মাজত বহুত ব্যৱধান দেখা যায়। ভাষাৰ যে ক্ৰমাগত সালসলনি হৈ আহিব লাগিছে আৰু "চৰকৰ" ভাষা যে বেদৰ "ব্ৰাহ্মণৰ" লগত বহুত কথাত মিলে এই দুই কথাৰ পৰা যে "চৰক" বহুত দিনৰ পুৰণি কিতাপ।

অথৰ্ব্বেদ আৰু চৰক লিখাৰ মাজ ডোখৰ সময়ত সেই সময়ৰ আয়ুৰ্ব্বেদ বিজ্ঞানৰ বিবৰণ চৰ্চ্চা আৰু উন্নতিৰ বিষয়ে আৰু কেবাখনো গ্ৰন্থ

ৰচিত হৈছিল বুলি অনুমান কৰা হয়। "চৰক" লিখাৰ সময়ত "অগ্নিবেশ" ভেলা যতুকৰ্ণ, পৰাসাৰ, হৰিত, ক্ষাৰ পানি ইত্যাদি সকলৰ দ্বাৰা ৰচিত। অন্ততঃ ছখন আয়ুৰ্ব্বেদীয় গ্ৰন্থ ভাৰতত প্ৰচলিত আছিল। চৰকে কেৱল "অগ্নিবেশৰ" গ্ৰন্থৰ ওপৰত নিৰ্ভৰ কৰি, তাৰে কথাবোৰত নতুন ভাজদি মাজে মাজে বহুত নতুন তথ্য সুমুৱাই, তাকে প্ৰকাশ কৰিছিল। "দৃধ বলে" পাছত শেষৰ ৪১ অধ্যায় নতুনকৈ সুমুৱাই দিছিল।

চৰকে আটাই কেইজনৰ মাজত "অগ্নিবেশক" বাছি লোৱাৰ কাৰণ হৈছে যে চৰকে নিজে স্বীকাৰ কৰি গৈছে যে সেই ছয়োজন লিখকৰ মাজত অগ্নিবেশৰ বুদ্ধি বৰ প্ৰখৰ আছিল আৰু নতুনত্বও আছিল বাকী ৫ খন কিতাপ সময়ৰ লগে লগে ধ্বংশ প্ৰাপ্ত হল বুলি অনুমান কৰা হয়। "চৰক" আৰু শুশ্ৰুত দুয়োখন সংক্ষিপ্ত কৰি প্ৰকাশ কৰা "বাগভটে" "হৰিত" আৰু "ভেলাৰ" গ্ৰন্থ দুখনৰ কথা উনুকিয়াই গৈছিল, আৰু তাৰে পৰা ধৰিব পাৰি যে তেওঁৰ সময়ত দুয়োখন গ্ৰন্থ প্ৰচলিত আছিল।

চৰকখন পঢ়োতে মাজে মাজে এনে লাগে যেন সেইখন, সকলো জাতীয়ে মিলি কৰা (International) আয়ুৰ্ব্বেদীক মহাসম্মিলন এখনৰ বিবৰণী আৰু সেই সম্মিলনত প্ৰকাশ কৰা সিদ্ধান্তৰ সংগ্ৰহ মাথোন। সেই সম্মিলনলৈ যেন সকলো দেশৰ প্ৰধান আয়ুৰ্ব্বেদ শাস্ত্ৰবিদ সকল— আনকি সুদূৰ বাল্‌খ (Balkh) ৰাজ্যৰ পৰা কামখ্যানো গৈছিল, এনেকুৱা অনুমানহে হয়।

লিখাৰ ভাব আৰু ভাষা পৰীক্ষা কৰিলে চৰকখন" বৌদ্ধ যুগৰ আগেয়ে ৰচিত হোৱা বুলি কব পাৰি।

## শুশ্ৰুত লিখাৰ সময়।

শুশ্ৰুতৰ বিষয়ে আলোচনা কৰিলে আমি আৰু বিশ্বাসযোগ্য তথ্যতহে উপনীত হওঁহক। ইয়াৰ আৰু চৰকৰ পৰিভাষা আৰু বিশেষত্ব

( Technique ) মাজত সাধাৰণতঃ বহুত মিল দেখা যায়। শুশ্ৰুতৰ ভাষা তেজস্বী আৰু সংক্ষিপ্ত আৰু ইয়াক চৰকেৰে তুলনা কৰিলে এইখন বহুত দিনৰ পাচত লিখা বুলি বোধ হয়।

লিখাৰ ভাব আৰু ভাষা৲ৈ চালে "চৰকখন" বৌদ্ধ যুগৰ আগেয়ে লিখা হৈছিল বুলি অনুমান হয়।

## শুশ্ৰুত ৰচাৰ সময়।

শুশ্ৰুতৰ বিষয়ে আলোচনা কৰিলে আমি আৰু বিশ্বাসযোগ্য তথ্যাত হে উপনীত হওঁহক। ইয়াৰ পৰিভাষা আৰু বিশেষত্ব চৰকৰ লগত বহুত বিষয়ত মিলে। শুশ্ৰুতৰ সংক্ষিপ্ত কিন্তু উগ্ৰভাষা চৰকৰ ভাষাৰ লগত তুলনা কৰিলে শুশ্ৰুতখন যে বহুত পাচত লিখা হৈছিল সি ফটফটিয়া হৈ ওলাই পৰে। ইয়াক সহজেই বুজিব পাৰি। শুশ্ৰুতৰ যি খিনি আমি অক্ষত অৱস্থাত পাইছোহঁক সেই খিনি শুশ্ৰুতৰ "উত্তৰ তন্ত্ৰ" বা ওপৰঞ্চি লিখক বিখ্যাত ৰসায়নবিদ্ পণ্ডিত নাগাৰ্জ্জুনৰ সমালোচনা বুলি সাধাৰণতঃ ধৰা যায়। হিন্দু ঔষধ আৰু ৰসায়নৰ ইতিহাসত এয়ে আমি প্ৰথম এজন পৌৰাণিকতকৈ বৰং বুৰঞ্জীমূলক মানুহ পাওঁ। চৰকেৰে সৈতে শুশ্ৰুতৰ বহুত বিষয় আখৰে মিলা দেখি বুজিব পৰা যায় যে পাছত এজন মানুহে শুশ্ৰুত খন নতুন ভাজ দি লেখিছিল, আৰু তাৰে পৰা ধৰিব পৰা যায় যে সেই সময়তে ইয়াত বহুত নতুন কথা সুমুওৱা হৈছিল। যেনেকৈ চৰক চিকিৎসা বিদ্যাৰ এখন সম্পূৰ্ণ গ্ৰন্থ সেই দৰে শুশ্ৰুতো অস্ত্ৰ চিকিৎসাৰ এখন সুন্দৰ গ্ৰন্থ। পুৰণি কালত ভাৰতে খহু, ফোঁড়া, ইত্যাদি ফলা অস্ত্ৰ ব্যৱহাৰত বিশেষ পাৰ্গতালি লাভ কৰিছিল; কাৰণ আমি "চৰকত" "কায় চিকিৎসক" অৰ্থাৎ সাধাৰণতঃ যাক বৈদ্য বা বেজ বোলা যায় আৰু ধন্বন্তৰী সম্প্ৰদায়ৰ ( ধন্বন্তৰীৰ শিষ্য সকল ) মাজত ফটফটিয়া ব্যৱধান

পাওঁতক আৰু এই ব্যৱধান আমি বৈদিক যুগৰ আৰম্ভণৰে পৰা দেখি আহিছোঁ।

অতীজৰ বহুত দিনৰ পৰা, শুশ্ৰুতনো কেতিয়া ৰচিত হয় এই বিষয়লৈ ভয়ঙ্কৰ বিবাদ চলি আহিছে। হিন্দুবিলাকে আয়ুৰ্ব্বেদৰ এই শাখাটোক দেব চিকিৎসক অশ্বিনীকুমাৰ সকলৰ পৰা পোৱা মূল সত্যৰ প্ৰচাৰ বুলি বিবেচনা কৰে। এই পৌৰানিক কথাৰ উৎপত্তিৰ বিষয়ে আমি ঋগ্বেদতো পাওঁ। মহাভাৰতত শুশ্ৰুতক মহৰ্ষি বিশ্বামিত্ৰৰ পুত্ৰ বুলি কৈছে ; আৰু খৃঃ পূঃ প্ৰায় ৪ শতিকাত ৰচিত হোৱা কাত্যায়নৰ "বৰ্ত্তি কতো" আমি এই নামৰ উল্লেখ পাওঁ। সি যি নহওক এই বিলাক নামৰ আৰু আমাৰ গ্ৰন্থকাৰ শুশ্ৰুতৰ মাজত সমন্ধ স্থাপন কৰা সহজ কাম নহয়। খৃঃ আঃ ৫ম শতিকাত যে এজন বৃদ্ধ শুশ্ৰুত জিয়াই আছিল, আজি কালি তাৰ লেশমাত্ৰও সন্দেহ নাই। বিখ্যাত পণ্ডিত Dr. Hearnle এ পুৰণি কলীয়া লিখা নিয়ম প্ৰণালী বোৰ পৰীক্ষা কৰি গৈছে যে শুশ্ৰুত খন খৃঃ আঃ ৪০০ আৰু ৫০০ শকৰ মাজতে লিখা হৈছিল। Buller চাহাবেও এই সিদ্ধান্ততে উপনীত হৈছে। বহুত হাতে লিখা পুৰণি কিতাপ পঢ়িলে পোৱা যায় যে আনকি খৃঃ আঃ ৫০০ শকতো শুশ্ৰুতখন বৰ পুৰণি কলীয়া গ্ৰন্থ বুলি বিবেচিত হৈছিল, তাৰ পৰাই ধৰিব পাৰি যে, "শুশ্ৰুত" আৰু কেবা শতিকাৰ আগেয়েই লিখা হৈছিল।

শুশ্ৰুত খনত যি বোৰ ৰসায়নিক আৰু আয়ুৰ্ব্বেদীয় কথাৰ বিষয়ে লিখা আছে, সেই বোৰ শুশ্ৰুত খন শেষ বাৰ সম্পাদিত কৰাৰ সময়ত প্ৰচলিত ৰসায়ন চৰ্চ্চাৰ বিবৰণি বুলি ভবাটোও এটা বৰ ডাঙৰ ভুল। প্ৰকৃত পক্ষে বৈদিক যুগৰ পৰা আৰম্ভ কৰি শুশ্ৰুত খন শেষবাৰ সম্পাদিত কৰা লৈকে গোটেই সময় ডোখৰত যত যি ৰসায়ন চৰ্চ্চা হৈছিল তাৰ গোটেই বিবৰণী মাথোন শুশ্ৰুতত দিয়া হৈছিল।

কোন সময়ত শুশ্ৰুতখন শেষবাৰ সম্পাদিত হল সেই বিষয়ে সদায় প্ৰশ্ন হৈয়ে থাকিব। বাগভট্টই তেওঁৰ "অষ্টাঙ্গ হৃদয়ত" চৰক আৰু শুশ্ৰুতৰ পৰা প্ৰচুৰ পৰিমাণে তুলি দিছিল। ইয়াৰ পৰাই জানিব পাৰি যে চৰক আৰু শুশ্ৰুত দুয়োখন আজি কালি যি অৱস্থাত আছে খৃঃ অঃ ৯ম শতিকাৰ আগলৈকে সেই অৱস্থাতে আছিল। মাধৱকৰে তেওঁৰ নিদান-শাস্ত্ৰত "উত্তৰ তন্ত্ৰৰ" পৰা ভালেমান কথা হুবহু তুলি দিছিল। এই নিদান-শাস্ত্ৰই বোগদাদৰ খলিফাৰ কাৰণে তৰ্জ্জমা কৰোৱা আয়ুৰ্ব্বেদিক গ্ৰন্থবোৰৰ এখন। গতিকেই এইখন খৃঃ অঃ ৮ম শতিকাত বা তাৰো আগেয়ে ৰচিত হৈছিল বুলি কব পাৰি, আৰু ইয়াৰ পৰা এইটোও স্পষ্টকৈ ওলাই আছে যে শুশ্ৰুতৰ আধুনিক সংস্কৰণ খৃঃ আঃ ৮ম শতিকাৰ আগেয়ে চলি আছিল। "বাগভট" আৰু নিদান-শাস্ত্ৰ এই দুয়োখন গ্ৰন্থ মাথোন "চৰক" আৰু শুশ্ৰুতৰ সংক্ষিপ্ত সংস্কৰণহে; আৰু শেষোক্ত গ্ৰন্থ দুখন বহুদিন ধৰি প্ৰচলিত হৈ পুৰণি হোৱাৰ পাচত হে পুৰ্ব্বোক্ত দুখন লিখা হৈছিল। গতিকে "বাগভট" আৰু নিদান শাস্ত্ৰ ডাঙৰ চিকিৎসাবিদ সকলৰ মাজত অতি কমেহে অধ্যয়ন কৰা ছিল, আৰু সেই কাৰণে সেই দুখন সৰু সুৰা চিকিৎসক সকলে বৰ বেছিকৈ পঢ়িছিল।

বাগভটে তেওঁৰ বিখ্যাত গ্ৰন্থত তলত দিয়া গূঢ়াৰ্থেৰে পৰিপূ ওখ ধৰণৰ মন্তব্য প্ৰকাশ কৰে। কেৱল পুৰণি কালৰ যেই সেই এজ নামজলা পণ্ডিতে লেখিলে বুলিলেই যদি কোনো এখন গ্ৰন্থ ন্যায়সঙ্গ বা সত্যমূলক বুলি প্ৰচলিত হয়। তেন্তে সকলোৱে চৰক আৰু শুশ্ৰুত গ্ৰন্থ হে যে কেৱল পঢ়ে ভেলা, যাতুকৰ্ণ, পৰাশৰ, ক্ষাৰপাণি ইত্যা সকলৰ গ্ৰন্থবোৰ সিমান বেছিকৈ নপঢ়ে কিয়? ইয়াৰ পৰা এই সিদ্ধান্ত উপনীত হোৱা যায় যে যি বিলাক গ্ৰন্থহ শৃঙ্খলাবদ্ধ বৈজ্ঞানিক সত্য

পূৰ্ণ সেই বোৰেই সকলোৰে মনত বৰ ওখ ঠাই পায়। এই কেই ফাঁকি কথাই স্পষ্টকৈ দেখুৱাই যে বাগভটৰ সময়তে, চৰক আৰু শুশ্ৰুত দুয়োখন সময়ৰ লগে লগে পুৰণি আৰু গতিকে বেছি প্ৰচলিত হই সকলোৰে মনত যথেষ্ট শ্ৰদ্ধালাভ কৰিছিল।

## শুশ্ৰুতৰ সমালোচক সকল।

শুশ্ৰুতৰ বিষয়ে সবাতকৈ পুৰণি সমালোচনাৰ গ্ৰন্থখনৰ অলপ অংশ এতিয়াও পোৱা যায়। এই গ্ৰন্থখন "ভানুমতী" নামে চক্ৰপাণি দত্তই খৃঃ আঃ ১০৬০ শকত লেখিছিল। মথুৰাৰ দাঁতি কাষৰীয়া কোনো এক ৰাজ্যৰ ৰজা "সহনপাল দেবৰ" ৰাজত্ব কালত দল্বন নামেৰে এজন সমালোচকৰ দ্বাৰা লিখিত "নিবন্ধ সংগ্ৰহো" শুশ্ৰুতৰ এখন বিখ্যাত সমালোচনাৰ কিতাপ। দল্বনে নিজে স্বীকাৰ কৰি গৈছে জেজ্জাত ( Iejjata ) গয়াদাস, ভাস্কৰ আৰু মাধব নামৰ তেওঁৰ আগৰ সমালোচক সকলৰ ওচৰত তেওঁ চিৰকৃতজ্ঞ। এই সমালোচক সকল কেতিয়া আছিল তাক নিৰ্ণয় কৰা বৰ টান।

অতীজৰে পৰা শুশ্ৰুতখন বৰ সাৱধানে ৰক্ষা কৰা হৈছিল ; গতিকে ই কালৰ কুটিল গতি আৰু নীচ মনৰ মানুহৰ ষড়যন্ত্ৰৰ হাতসাৰি আছিছিল, দল্বনে শুশ্ৰুতৰ কোনো এক অংশৰ সত্যতা স্বীকাৰ কৰিবলৈ অসম্মত হৈছিল কাৰণ তেওঁ কৈছিল যে তেওঁৰ আগৰ জেজ্জত নামৰ সমালোচক এজনে সেই বিষয়ে একো কোৱা নাই।

## শুশ্ৰুত লিখা শকৰ বিষয়ে Haas চাহাবৰ মত।

য়ুৰোপৰ এক সম্প্ৰদায় পণ্ডিতে মাজে মাজে প্ৰমাণ কৰিব খোজে যে ভাৰতৰ আয়ুৰ্ব্বেদ গ্ৰন্থবোৰ অলপ দিনৰ আগেয়ে লিখা হয় ; গতিকে

শুশ্ৰুত কোন শকত ৰচিত হয় তাক আমি ঠিককৈ ডাঠি কব নোৱাৰোঁ।। Haas নামে এজন জাৰ্ম্মান পণ্ডিতে কৈছে যে খৃঃ আঃ দশমৰ পৰা যোড়শ শতিকাৰ ভিতৰতে হিন্দু আয়ুৰ্ব্বেদ শাস্ত্ৰ প্ৰণালীবদ্ধ কৰি উন্নতি প্ৰাপ্ত কৰা হয়। কিন্তু আমি পাচত পাওঁহক যে এই ডোখৰ সময়ত হিন্দু আয়ুৰ্ব্বেদ বিজ্ঞানৰ উন্নতি হোৱা দূৰে থাকোক বৰঞ্চ অৱনতি হে হৈছিল Haas চাহাবে যি বোৰ যুক্তি দেখুৱাই নিজৰ তথ্যৰ সত্যতা প্ৰমাণ কৰিব খুজিছে Dr. Hoeruleএ তাৰে কেবাটাকো ঠাট্টা কৰি অসঙ্গত বুলি কৈ গৈছে। সেই বোৰৰ বিষয়ে আমাৰ বেচিকৈ আলোচনা কৰাৰ ইচ্ছা নাছিল। কিন্তু এই জাৰ্ম্মান পণ্ডিতজন আৰু য়ুৰোপৰ বহুত পণ্ডিতে ভাৰতৰ অতি প্ৰাচীন কালৰ বস্তুবোৰো বুলি স্বীকাৰ কৰিবলৈ বাধ্য হলেও মুবুজা ভাওঁ ধৰে। নিজৰ মতৰ সত্যতা প্ৰমাণ কৰিবলৈ যাওঁতে Haas চাহাবে কেবাঠাইতো বৰ গুৰুতৰ ভুল কৰিছে। বাগভট, মাধৱ ইত্যাদি অন্যান্য পণ্ডিত সকলে যে তেওঁলোক চৰক আৰু শুশ্ৰুতৰ ওচৰত চিৰকৃতজ্ঞ এই বুলি স্বীকাৰ কৰি গৈছে কিন্তু Haas চাহাবে এই কথা পাহৰি এটা আচৰিত ধৰণৰ সিদ্ধান্তত উপনীত হৈছে—তেওঁ কয় যে বাগভট, মাধৱ, চৰক আৰু শুশ্ৰুতে তাকে কেৱল কিতাপত তুলি দিছিল।

## ভাৰতীয় ঔষধ প্ৰণালীৰ উদ্ভৱ।

হিন্দুবোৰে যে ধাতু সম্বন্ধীয় নিদান-শাস্ত্ৰ গ্ৰীকবোৰৰ পৰা ধাৰলৈ আনিছিল, আৰু Gabu আৰু Hippocratesৰ গ্ৰন্থ কেইখনৰ পৰাহে যে ভাৰতৰ আয়ুৰ্ব্বেদ শাস্ত্ৰৰ উদ্ভৱ হৈছিল এই দুটা কথা প্ৰমাণ কৰিবলৈ Haas চাহাবে বৰ চেষ্টা কৰিছে। আনকি শুশ্ৰুত শব্দটো যে আৰবীয় "শুকৰট" শব্দৰ (গ্ৰীক শব্দ Hippocratesৰ বিকৃতাবস্থা প্ৰাপ্ত আৰবীয় "বকৰট" শব্দৰ লগত শুকৰট শব্দৰ প্ৰায়ে গোলমাল হয়) পৰা ওলাইছে

তাকো কৰলৈ তেওঁ কুণ্ঠিত হোৱা নাই Roth চাহাবে দেখুৱাইছে যে Æsculapius অৰ Eides আৰু চৰকৰ 'নামাকৰণ, (Initiation) অধ্যায় বহুত বিষয়তে মিলে; আৰু হিন্দু আৰু গ্ৰীকবোৰৰ শৰীৰ ধাতু সমন্ধীয় নিদান-শাস্ত্ৰৰ মাজত সাধাৰণ সাদৃশ্য দেখা যায়। গতিকে এটা জাতিয়ে আনটো জাতিৰ পৰা ধাৰ কৰিছে এইটো ঠিক; কিন্তু গ্ৰীচত আয়ুৰ্ব্বেদ চৰ্চ্চা ভাৰতত‌কৈ বহুত দিনৰ পাছত হে হৈছিল।

অথৰ্ববেদৰ পৰাই আয়ুৰ্ব্বেদৰ উদ্ভৱ হৈছে বুলিলেই হয়, অথৰ্ববেদতো আমি পাওঁহক যে ধাতুৰ বিকাৰেই ৰোগৰ কাৰণ সেই কাৰণেই বাতি কৃত (অৰ্থাৎ বাত ধাতুৰ পৰা হোৱা বেমাৰ) বাতগুল্মিন ইত্যাদি নাম বোৰ পোৱা যায়।

## হিন্দু আয়ুৰ্ব্বেদ বৌদ্ধযুগৰ আগেয়েও চলিত আছিল।

পুৰণি বৌদ্ধ সাহিত্যতো আমি এনে ধৰণৰ বহুত প্ৰমাণ পাওঁ। মহা-ভগ্গৰ ঔষধ সমন্ধে লিখা অধ্যায় পঢ়োতে একে ধৰণৰ শুশ্ৰুতৰ বহুত কথা মনত পৰে। আনকি পাণিনীৰ পৰাও আমি আয়ুৰ্ব্বেদত থকা বৈজ্ঞানিক পৰিভাষাৰ শব্দ সংগ্ৰহ কৰিব পাৰোঁ আৰু এয়ে দেখুৱাই দিয়ে যে তেওঁৰ জীৱিত কালতো এবিধ চিকিৎসা বিদ্যা প্ৰচলিত আছিল।

## প্ৰকৃত ঐতিহাসিক প্ৰমাণ।

এইদৰে আমি বহুত প্ৰকৃত ঐতিহাসিক প্ৰমাণ যুক্ত কথা পাওঁ যিবোৰে প্ৰমাণ কৰে যে বুদ্ধদেৱৰ জীৱিত কালত‌কৈও আগেয়ে শৰীৰৰ ধাতু সমন্ধীয় আৰু আয়ুৰ্ব্বেদীয় কেবাখনো গ্ৰন্থ প্ৰচলিত আছিল। কাত্যায়নৰ "বৰ্ত্তিকতো" (খৃঃ পূঃ ৩য় আৰু ৪ৰ্থ শতিকাৰ মাজত) বায়ু, পিত্ত আৰু শ্লেষ্মা এই তিনি বিধ ধাতুক একেলগে শ্ৰেণীবদ্ধ কৰা হৈছিল।

"বিনয়" গ্ৰন্থ লিখা কালৰ বিষয়ে সমালোচনা কৰোঁতে Rhys Davids আৰু Oldenburg এ কৈছে :—"সেই সময়ত (খৃঃ পূঃ প্ৰায় ৩৫০ শকত ) "বিভঙ্গ" আৰু কুড়িখন "খন্ধক" গ্ৰন্থক ইমান বেচিমান দিয়া হৈছিল যে সেই বোৰ সালসলণি কৰিবলৈ কোনেও সাহকে নকৰিছিল ; ভালেমান কাল প্ৰচলিত হৈ পুৰণি নহলে কোনো কিতাপে এনে ধৰণৰ পৱিত্ৰতা আৰু অকৃত্ৰিমতা লাভ কৰিব নোৱাৰে। আৰু বোধ কৰো এইটো কলেও বঢ়াই কোৱা নহব যে খৃঃ পূঃ ৩৬০ বা ৩৭০ শকৰ পৰা ডেৰকুৰি বছৰৰ ভিতৰতে এই গ্ৰন্থবোৰ আমি আজি কালি যেনে অৱস্থাত পাইছো সেই অৱস্থাতে আছিল।

## গ্ৰন্থবোৰ ৰঁচা সময়ৰ এটা সঠিক মিমাংসা।

এই গতিকে নিশ্চিত যে Hippocrates অৰ জন্মৰ আগেয়েই হিন্দুবোৰে শৰীৰ সম্বন্ধীয় নিদান শাস্ত্ৰ বৰ বহলাই লেখিছিল তথাপি Haas চাহাবে ক'ব খোজে যে আন আন বিষয়ৰ দৰে চিকিৎসা-বিদ্যাও গ্ৰীক বিলাকৰ মাজত সৰ্ব্বপ্ৰথমে ওলায়। আৰু আন জাতিবোৰে গ্ৰীকবোৰৰ শিখিছিল। Mr Siitard বোলা এজন ফৰাচী পণ্ডিতে কৈছে, যদি শাৰীৰিক ধাতু সমন্ধীয় নিদান শাস্ত্ৰ Hippocrates ওপজাৰ আগেয়েই ভাৰতত প্ৰচলিত আছিল বলি প্ৰমাণ কৰিব পৰা যায় তেন্তে কোন দেশত আগেয়ে এই বিষয়ে চৰ্চ্চা হৈছিল এই প্ৰশ্নটোৰ এটা সুমীমাংসা হ'ব। গতিকে ওপৰৰ কথা-বোৰৰ পৰা যে এইটো প্ৰমাণিত হ'ল তাকো দেখা গল আৰু লগে লগে এই প্ৰশ্নটোৰ এটা সঠিক মীমাংসাত উপনীত হলোহঁক।

## শেষ মন্তব্য।

কোন জাতিৰ কাৰ্য্যদক্ষতা কিমান বেচি সেই কথাতো সেই জাতিয়ে বিজ্ঞানৰ বেলেগ বেলেগ শাখা প্ৰশাখা বোৰত সাহিত্যক্ষেত্ৰত বীজ

গণিত, ভূগোল, পৰিমিতি, জ্যোতিষ, স্বৰ-বিজ্ঞান, ভাষাতত্ত্ব, বিজ্ঞান, ব্যাকৰণ আইন, দৰ্শন ইত্যাদি বিদ্যাত স্বাধীন ভাৱে নিজ বুদ্ধিৰে কোন কালে কিমান আগবাঢ়িছে তাক ভালকৈ পৰীক্ষা কৰিহে মীমাংসা কৰিব লাগে।

গ্ৰীক পৰিমিতি আৰু ভাৰতৰ "শুল্ব সূত্ৰৰ মাজত বহুত সাদৃশ্য দেখি, গণিত শাস্ত্ৰৰ বুৰঞ্জী লিখক (Cantor) চাহাবে আচৰিত হৈছিল যে আন য়ুৰোপীয় পণ্ডিত সকলৰ দৰে তেওঁ কৈ গৈছে যে শুল্ব সূত্ৰ বোৰত আলেকজেন্দ্ৰিয়া নগৰৰ পণ্ডিত হীৰই প্ৰচাৰ কৰা মত আৰু ভাৱ বহুত সোমাইছহি হৈ আছে। কিন্তু শুল্ব সূত্ৰ বোৰ খৃঃ পূঃ ৮ম শতিকাৰ পৰা লিখা হৈছিল বুলি প্ৰমাণ পোৱা গৈছে আৰু Dr. Thibaut এ দেখুৱাইছে যে পৰিমিতিৰ ৪৭ প্ৰতিজ্ঞাটো (যিটো প্ৰথমে Pythagorasএ উলিয়াই বুলি বহুতে কয়) Pythagoras অন্ততঃ ২০০ বছৰৰ আগেয়েই হিন্দু-বোৰে উলিয়াই প্ৰমাণ কৰে। এইবোৰ কথাই প্ৰমাণ কৰে যে পুৰণি গ্ৰীক দাৰ্শনিক পণ্ডিত সকল ভাৰতৰ দ্বাৰাই অনুপ্ৰাণিত হৈছিল।"

এইটো দেখি আচৰিত হব লাগে যে যি সকলে সৰ্ব্বপ্ৰথমে গ্ৰীক বিদ্যাচৰ্চ্চাৰ উত্তৰ হৈছিল বুলি কয়, তেখেত সকলে স্বাৰ্থসিদ্ধি কৰিবৰ কাৰণে প্ৰকৃত সিদ্ধান্তবোৰ অকাই পকাই নিজলৈ সুবিধাজনক কৰি ভাঁজ দিয়ে। যিটো কথাটে সন্দেহ থাকে সেইখাৰ কথা তেওঁবিলাকে সন্দেহজনক বুলি উল্লেখ নকৰে কিন্তু নিজৰ সুবিধাজনক কৰিহে লিখে। কিন্তু হিন্দু সকলৰ বিজ্ঞানচৰ্চ্চাৰ প্ৰাচীনত্ব যেতিয়া সঁচা আশা কৰোঁ যেন সকলোৱে বিজ্ঞান সাধাৰণ মূল উৎপত্তিৰ বিষয়ৰ স্বাধীন সাদৃশ্যলৈ অলপ চকু দিয়ে। যদি কোনো ঠাইত তৰ্কৰ পাকত পৰি এই পণ্ডিত সকলে য়ুৰোপ যে বিজ্ঞানচৰ্চ্চা বিষয়ত ভাৰতৰ ওচৰত ঋণী বুলি স্বীকাৰ কৰিবলৈ বাধ্য হয়, তেতিয়া তেওঁবিলাকে তীব্ৰ যাতনা ভোগ কৰে আৰু অসাৰ

পাক্তনে প্ৰকৃত ঐতিহাসিক ঘটনাবোৰ লুপ্ত কৰিবলৈ চেষ্টা কৰে। এই কিনতে ভুলত দিয়া কথাকেই ধাৰ্মিক কলে বোধ কৰো দেখা নহব। Haves d' Alviella ইত্যাদি সকলো দলে সংস্কৃত অধ্যয়ন কৰাৰ আগেয়ে বিখ্যাত আৰব দেশীয় পণ্ডিত "Alberuni" বো হিন্দু বিজ্ঞানশাস্ত্ৰ বিষয়ে প্ৰতিকূল ভাব আছিল। কিন্তু পদ সাহিত্যে চলিত আভাস পোৱাৰ পৰা তেওঁৰ আগৰ সেই ধাৰণাবোৰ দূৰ হৈছিল। এই খিনিতে Dugald Stewart অৰ ৰচনা এনেকুৱা কথা মনত পাৰছে। সেই ৰচনাত তেখেতে কৈছে যে অকল সংস্কৃত সাহিত্যই নহয়, সংস্কৃত ভাষাটোকেই, আলেকজেণ্ডাৰে ভাৰত জয় কৰাৰ পিছত ধূৰ্ত্ত ব্ৰাহ্মণবোৰে পাৰবোৰৰ সহিত গঢ়িছিল।

## দুয়োজাতিৰ বিজ্ঞানচৰ্চ্চাৰ মাজত থকা সাদৃশ্য প্ৰকৃত নহয় বাহ্যিকহে।

বোধ কৰো হিন্দু আৰু গ্ৰীকবোৰৰ মাজত থকা ঔষধ আৰু বিজ্ঞান বিষয়ত থকা সাদৃশ্যৰ বিষয়ে বহুত কোৱা হ'ল। কিন্তু এই সাদৃশ্য প্ৰকৃত নহয়, বাহ্যিকহে। হিন্দু আয়ুৰ্ব্বেদ শাস্ত্ৰ বায়ু পিত্ত আৰু শ্লেষ্মা এই তিনি ধাতুৰ ওপৰত নিৰ্ভৰ কৰি লিখা হৈছিল। কিন্তু গ্ৰীক চিকিৎসাশাস্ত্ৰ চাৰি ৰকমৰ ধাতুৰ ওপৰত নিৰ্ভৰ কৰি লিখা হৈছিল- যেনে তেজ, পিত্ত, পানী আৰু শ্লেষ্মা। ইয়াৰ পৰা দেখা যায় যে এই দুয়োখনৰ ভিতৰত এটা বিশেষ পাৰ্থক্য আছিল।

## বাগভট্ট।

চিকিৎসা বিদ্যাত চৰক আৰু শুশ্ৰুতৰ পাছতে বাগভট্টই বেছি সন্মান পাইছিল। তেখেতে 'অষ্টাঙ্গ হৃদয়' নামেৰে বিখ্যাত আয়ুৰ্ব্বেদীক গ্ৰন্থ লিখে। বাস্তবিকতে দক্ষিণাত্যত বহুত ঠাইত লাহে লাহে চৰক

আৰু শুশ্ৰুতৰ নাম লোপ পাইছিল। আৰু গতিকে বাগভট্ট সৰ্ব্ব প্ৰসিদ্ধ গ্ৰন্থৰূপে বিবেচিত হৈছিল। Haas চাহাবে চৰক আৰু শুশ্ৰুতে বাগভট্টৰ পৰা গ্ৰন্থ লিখা বুলি কোৱাৰ এয়ে এটা কাৰণ।

বাগভট্টৰ গ্ৰন্থখন, ভেলা আৰু হৰিতৰ গ্ৰন্থবোৰৰ পৰা লিখা আৰু চৰকত শুশ্ৰুতৰ চমু বিবৰণি বুলি ধৰিব পাৰি। ইয়াত মাথোন অস্ত্ৰ চিকিৎসা অধ্যায়ত অলপ সালসলনি কৰি নতুন কথা সুমুৱাই দিয়া হৈছিল। ইয়াত উদ্ভিদাদিৰ পৰা পোৱা ঔষধৰ লগত খনিজ আৰু ধাতব পদাৰ্থোদ্ভৱ দ্ৰব্যবোৰেৰ মিহলি কৰি নতুন ঔষধৰ ব্যৱস্থাৰ বিষয়ে ইয়াত লিখা আছে। কিন্তু পাৰাৰ পৰা প্ৰস্তুত ঔষধৰ কথা নিচেই কমহে উল্লেখ কৰা আছে। কিন্তু তাত যিবোৰ ধাতব দ্ৰব্য প্ৰস্তুত কৰা নিয়ম প্ৰণালীৰ বিবৰণ দিয়া আছে সেই বোৰে দেখুৱাই যে সেই সময়ত ৰসায়নিক নিয়ম প্ৰণালীবোৰ বৰ উন্নত আছিল। দক্ষিণ ভাৰতৰ পণ্ডিত সকলৰ মাজত এটা কিংবদন্তি চলি আহিছে যে বাগভট্ট প্ৰথমে ব্ৰাহ্মণ আছিল; কিন্তু কোনো এক বৌদ্ধধৰ্ম্ম যাজকৰ দ্বাৰা প্ৰবৰ্ত্তিত হৈ তেওঁ জীৱনৰ শেষ ভাগত বৌদ্ধধৰ্ম্ম অৱলম্বন কৰে। আৰু আন বহুত কথা আছে যি বোৰে বাগভট্টৰ বৌদ্ধ ধৰ্ম্মৰ ফালে আগ্ৰহ থকা প্ৰমাণ কৰে। গতিকে যেতিয়া ভাৰতত শাক্য মুনিয়ে প্ৰচাৰ কৰা ধৰ্ম্মই আধিপত্য বিস্তাৰ কৰিছিল, সেই সময়ত বাগভট্ট জীয়াই আছিল।

বিখ্যাত চীন দেশীয় পৰিব্ৰাজক I'tsingএ আয়ুৰ্ব্বেদৰ আঠোটা বেলেগ বেলেগ ভাগ সংগ্ৰহ কৰা মানুহ এজনৰ কথা কৈ গৈছে আৰু বোধ কৰোঁ এয়েই বাগভট্ট হব পায়।

"বৈদ্যক শব্দ সিন্ধু" নামৰ গ্ৰন্থৰ লিখকৰ মত অবলম্বন কৰি Cardier চাহাবে কৈ গৈছে যে "ৰাজতৰঙ্গিনীৰ" মতে বাগভট্ট ৰজা জয়সিংহৰ দিনত (খৃঃ অঃ ১১৯৬-১২১৮ শকত) জীয়াই আছিল। এই কথাষাৰ

কিন্তু সম্পূৰ্ণৰূপে অধাৰ আৰু এই বোৰৰ পৰাই ধৰিব পৰা যায় যে কস্তুনই পুৰণি কলায়া কথা বোৰ লিখিবলৈ গৈ প্ৰায়েই অনিশ্চিত জন-প্ৰবাদ বোৰ তুলি দিছিল।

বিখ্যাত সংস্কৃত পণ্ডিত ৺ আনন্দৰাম বৰুৱাই "ক্ষীৰ স্বামী" কোতয়া আছিল সেই বিষয়ে আলোচনা কৰোতে "ৰাজতৰঙ্গিণীৰ" কথাবোৰ সকলো সচা নহয় বুলি এই দৰে কৈ গৈছে "এইখন গ্ৰন্থত ( ৰাজতৰঙ্গিণীত বুৰঞ্জীমূলক কথা আছে বুলি মোৰ বিশ্বাস নহয় আৰু বিশ্বাস কৰিবৰ একো কাৰণো নাপাওঁ। কিন্তু এই গ্ৰন্থখন যিমান পঢ়ো সিমা-নেই মোৰ অনুমানটো সচা যেনহে বোধ হয়।

Csama de koros বোলা এজন পণ্ডিতে প্ৰথমে ঘোষণা কৰে যে তাঞ্জোৰত ( তিব্বত দেশত ) আন আন কিতাপৰ লগতে "চৰক" শুশ্ৰুত আৰু বাগভট্ট এই তিনিখন কিতাপৰো ভাঙ্গান আছে। তাঞ্জোৰ খন নতুনকৈ অলপতে পুঙ্খানুপুঙ্খৰূপে পৰীক্ষা কৰি চাওঁতা George Hathএ বাগভট্ট খন খৃঃ অঃ ৮ম শতিকাত লিখা হৈছিল বুলি অনুমান কৰিছে। খালিফা সকলৰ কাৰণে বাগভট্টখনো তৰ্জমা কৰায়াৰো এই শক অনুমান কৰিলেহে মিলে। এই গ্ৰন্থখন লিখাৰ শক কিমান দূৰ পুৰণি হব পাৰে তাক নিৰ্ণয় কৰাটো বৰ টান।

## খ্ৰীঃ অঃ ৭ম শতিকাত হিন্দুবোৰৰ ঔষধ প্ৰণালী।

হিন্দু ঔষধ প্ৰণালী খ্ৰীঃ অঃ ৭ম শতিকাত আৰু শুশ্ৰুতৰে সৈতে একে সাঁচতে গঢ় লৈছিল। বান আৰু চীন দেশীয় পৰিব্ৰাজক I'tsingএ দেখুওৱা প্ৰমাণবোৰৰ পৰা এইটো ধৰিব পৰা যায় যে সেই সময়ত হিন্দু ঔষধ প্ৰণালীত, ধাতব বস্তু প্ৰস্তুত কৰা নিয়ম প্ৰণালী বাহুল্যকৈ প্ৰচলিত নাছিল। "হৰ্ষ চৰিততো" আমি এই দৰে লিখা পাওঁ। সিইঁ-তৰ মাজত পুনৰ বসুৰ বংশৰ, ৰসায়ন নামেৰে একজন ১৮ বছৰীয়া

ডেকা চিকিৎসক আছিল। পুৰুষানুক্ৰমে চলি অহা প্ৰথামতে তেওঁ ৰাজপৰিবাৰত ঠাই পাইছিল; আৰু বজায়ো তেওঁৰ নিজৰ পুতেকৰ নিচিনাকৈ মৰম কৰিছিল। আয়ুৰ্ব্বেদৰ অষ্ট অঙ্গত তেওঁ বিশেষ দক্ষতা লাভ কৰিছিল আৰু স্বভাৱতে তীক্ষ্ণবুদ্ধিসম্পন্ন দেখি তেওঁ ৰোগ নিৰ্ণয় কৰাত বৰ পাৰ্গত আছিল। I'tsingএ কৈছে:—"মই চিকিৎসা শাস্ত্ৰ অধ্যয়ন কৰাত কৃতকাৰ্য্য হৈছিলোঁ। কিন্তু এইটো মোৰ প্ৰকৃত ব্যৱসায় নাছিল গতিকে শেষত এৰি পেলালোঁ।" তেওঁৰ ঔষধ বিধানৰ নিয়ম প্ৰণালীতো পানাহাৰত সংযম উপবাস ইত্যাদি কিছুমান কথা বৰ লাগতীয়াল বুলি উল্লেখ কৰা আৰু আদা, জলকীয়া, যষ্টিমধু, ইত্যাদি বস্তুবোৰ ঔষধ স্বৰূপে ব্যৱহাৰ কৰিবলৈ উপদেশ দিয়া পোৱা যায়।

## পৰিবৰ্ত্তনগামী কাল (Transition Period)

প্ৰায় (৮০০—১১০০) খৃঃ অঃ।

( বৃন্দ আৰু চক্ৰপাণি )।

যি সময়ত হিন্দু চিকিৎসা বিদ্যাই বেলেগ বেলেগ পথলৈ ঢাল খাই উন্নতিৰ বাটত আগুৱাই ছিল, আমি এতিয়া সেই কালত ভৰি দিছোহি। এতিয়ালৈকে আমি মাথোন উদ্ভিদৰ পৰা পোৱা ঔষধ আৰু সহজে প্ৰস্তুত কৰিব পৰা কেইটামান খনিজ পদাৰ্থৰ কথাহে পাই আহিছোঁ। খৃঃ অঃ প্ৰায় ১০৫০ শকত চৰক আৰু শুশ্ৰুতৰ প্ৰসিদ্ধ সমালোচক চক্ৰপাণি দত্তই তেওঁৰ নিজৰ নামানুকৰণ কৰি চিকিৎসা-বিদ্যাৰ এখন বিখ্যাত গ্ৰন্থ লিখিছিল। বাগভট্টৰ দিনৰ পৰা লাহে লাহে ধাতব দ্ৰব্য-বোৰ ঔষধ স্বৰূপে ব্যৱহৃত হবলৈ ধৰিছিল; কিন্তু চক্ৰপাণি আৰু তেওঁৰ আগেয়ে থকা 'বৃন্দৰ' দিনত সেইবিলাক এনে বেছি ৰকমে প্ৰচলিত আৰু বিখ্যাত হৈ পৰিছিল যে, সেই বোৰৰ অবমাননা কৰাটো

এক প্ৰকাৰ অসম্ভৱ হৈ পৰিছিল। এইদৰে আমি খৃঃ অঃ দশম শতীকা আৰু তাৰ পাছৰ পৰা প্ৰত্যেক আয়ুৰ্ব্বেদীয় কিতাপতে সংযোজিক (Synthesis) প্ৰাণলৌৰে সহজে কৰিব পৰা ধাতব পদাৰ্থৰ বিষয়ে উল্লেখ কৰা পাওঁ।

সি যি নহওক, এইটো কিন্তু মনত ৰাখিব লগীয়া কথা যে মাজে মাজে শুশ্ৰুতত আমি ঔষধ প্ৰস্তুতৰ নিয়মপ্ৰণালী সমন্ধে এনেকুৱা কথা পাওঁ যে, সেই বোৰ পাচৰ দিনৰ হিন্দু চিকিৎসা-বিজ্ঞানৰ লগতো অতুলনীয়।

যদিও চক্ৰপাণি ব্ৰাহ্মণ ধৰ্ম্মাবলম্বী আছিল তথাপি তেওঁৰ ৰচনা-বোৰৰ পৰা স্পষ্টকৈ বুজিব পাৰি যে, তেওঁ বৌদ্ধধৰ্ম্মৰ ফালে অলপ ঢাল খাইছিল। কাৰণ তাত মগধৰ নাম "মহাবোধিপ্ৰবেশ" (মহাবোধিৰ প্ৰদেশ) দিয়া হৈছিল; আৰু তেওঁৰ গ্ৰন্থত আন আন এনেকুৱা শব্দ পাওঁ যেনে--বোধিসত্ত্বেনভাষিতং সুখাবতীবৰ্ত্তি, সৌগত মঞ্জনম ইত্যাদি। এইটো একো আচৰিত কথা নহয় কাৰণ চক্ৰপাণিৰ পিতাক ৰজা মহীপালৰ উত্তৰাধিকাৰী ন্যায়পালৰ (খৃঃ অঃ ১০৪০ শকত সিংহাসনত উঠে) ৰাজ-চিকিৎসক আছিল।

বৃন্দ আৰু চক্ৰপাণি দুয়ো নাগাৰ্জ্জুনৰ এজন ক্ষমতাশালী গ্ৰন্থকাৰ বুলি উল্লেখ কৰি গৈছিল। তেওঁবিলাকে কিন্তু চৰক, শুশ্ৰুত আৰু বাগভট্টক মানি চলিছিল বুলিও তান্ত্ৰিক শাস্ত্ৰৰ গুণৰ হাত সাৰিব নোৱাৰিছিল।

Dr. Hoeruleএ কৈ গৈছে "চক্ৰপাণিয়ে কি কি মূল তথ্যৰ পৰা তেওঁৰ গ্ৰন্থখন ৰচনা কৰিছিল, সেই বিলাক বাছি উলিয়াব পৰা হলে বৰ ভাল কথা হব। কিন্তু মোৰ দৃঢ় বিশ্বাস যে তেওঁৰ গ্ৰন্থত তেওঁ এই বিষয়ে একো উল্লেখ কৰি যোৱা নাই।"

Dr. Hoernleএ ওপৰত দিয়া মন্তব্যটো কিয় প্ৰকাশ কৰিছিল কব নোৱাৰি, কাৰণ চক্ৰপাণিয়ে স্পষ্টকৈ উল্লেখ কৰি থৈ গৈছিল যে তেওঁ বৃন্দৰ "সিদ্ধযোগৰ" ওপৰত নিৰ্ভৰ কৰি, আৰু চৰক আৰু সুশ্ৰুতৰ পৰা ঠায়ে ঠায়ে উদ্ধৃত কৰি তেওঁৰ গ্ৰন্থ ৰচনা কৰিছিল।

শাক্য মুনিৰ ধৰ্মত প্ৰাণীৰ আধ্যাত্মিক আৰু শাৰীৰিক যন্ত্ৰণা লাঘৱ কৰাটো ধৰ্মৰ এটা প্ৰধান অঙ্গ বুলি প্ৰচাৰ কৰিছিল। গতিকেই বৌদ্ধ যুগত গোটেই ভাৰতব্যাপী বৌদ্ধ মঠৰ লগে লগে মানুহ আৰু পশুৰ কাৰণে চিকিৎসালয় স্থাপন কৰা হৈছিল। আৰু এটা কথা [illegible] যায় যে, শিলৰ স্তম্ভ বোৰটো ৰোগৰ ব্যৱস্থা বিষয়ক কথা লিখা আছিল। এইদৰে চকুৰ বেমাৰৰ ঔষধ এটাৰ বিষয় নাগাৰ্জ্জুনে পাটলিপুত্ৰত শিলৰ স্তম্ভত লিখি গৈছিল বুলি বৃন্দ আৰু চক্ৰপাণি দুয়ো কৈ গৈছে।

## বৃন্দৰ জীৱিতাবস্থাৰ সম্ভৱপৰকাল।

চক্ৰপাণিয়ে তেওঁৰ গ্ৰন্থ বৃন্দৰ গ্ৰন্থত প্ৰকাশিত হোৱা তথ্যৰ ওপৰত নিৰ্ভৰ কৰি লিখিছিল। বৃন্দই আকৌ "মাধৱ কৰৰ" নিদান শাস্ত্ৰৰ পৰা সাৰ সংগ্ৰহ কৰিছিল। ইয়াৰ পৰা এইটো সুন্দৰকৈ বুজিব পৰা যায় যে চক্ৰপাণিৰ অন্ততঃ এক কি দুই শতিকাৰ আগেয়েই, বৃন্দ এজন বৰ বিখ্যাত পণ্ডিত আছিল। তাৰে পৰা এইটোও বুজা যায় যে বৃন্দতকৈ "মাধৱ কৰৰ" নিদান শাস্ত্ৰ অন্ততঃ দুশ বছৰৰ আগেয়েই ৰচিত হৈছিল। এইদৰে নিদান শাস্ত্ৰখন যে অন্ততঃ কমেও খ্ৰীঃ অঃ ৮০০ শকৰ আগেয়ে ৰচিত হৈছিল, তাৰ আমি বহুত প্ৰমাণ পাওঁ।

## ১১শ শতিকাৰ ভাৰতৰ অপৰসায়নৰ অৱস্থা।

১১ শতিকাত ভাৰতত ৰসায়নৰ অৱস্থাৰ বিষয়ে বিখ্যাত আৰব পণ্ডিত Alberuni যে লিখি থৈ যোৱাৰ পৰা অলপ দিলেই যথেষ্ট হব।

"হিন্দুসকলে সেই সময়ত অপৰসায়নলৈ বেচি চকু নিদিছিল; কিন্তু কোনো জাতিয়েই ইয়াৰ হাত সাৰিব পৰা নাই। সেই বুলিয়েই কিন্তু এইটো ভাবিব নালাগে যে যি সকলে অপৰসায়ন চৰ্চ্চা কৰে, তেওঁবিলাকেইহে বুদ্ধিমান আৰু বাকীবোৰ মূৰ্খ। কাৰণ বহুত প্ৰখৰ বুদ্ধিসম্পন্ন মানুহেও এই বিদ্যাৰ চৰ্চ্চা কৰিছিল আৰু বহুত মূৰ্খ মানুহেও ইয়াক ঠাট্টা কৰি উৰাই দিছিল। অতুল ঐশ্বৰ্য্যবান হবলৈ আৰু বিপদৰ হাতসাৰিবলৈহে তীক্ষ্ণবুদ্ধিসম্পন্ন মানুহবোৰে ইয়াক চৰ্চ্চা কৰিছিল। এসময়ত এজন মুনিক পণ্ডিত সকলে যে ধনীমানুহৰ ওচৰত হাত পাতে ধনীয়ে পণ্ডিতৰ ওচৰত হাত নাপাতে কিয়? এই প্ৰশ্ন কৰাত তেখেতে কলে যে পণ্ডিত সকলে অৰ্থৰ মোল বুজি পায়। কিন্তু অৰ্থবান সকলে বিজ্ঞানৰ মোল নুবুজে।

অপৰসায়নবিশাৰদ সকলে যিমান পাৰে এই বিদ্যা লুকুৱাই ৰাখিবলৈ চেষ্টা কৰে, আৰু যি ইয়াৰ বিষয়ে একো নাজানে তাৰ আগত ইয়াৰ কথা একো নাপাতে। গতিকে মই হিন্দুবোৰৰ পৰা তেওঁ বিলাকৰ কি কি নিয়ম প্ৰণালী তেওঁবিলাকে কি কি বস্তু ব্যৱহাৰ কৰে ইত্যাদি বিষয়ে বিশেষ একো লিখিব নোৱাৰিলোঁ। মই কেৱল তেওঁবিলাকৰ উৰ্দ্ধ পতন ( Sublimation ) বিশ্লেষণ ( analysis ) ইত্যাদি কিছুমানৰ নামহে শুনিছিলো, আৰু তাৰে পৰা ধৰিব পাৰি যে এই বিদ্যা খনিজ বিদ্যাৰ কালেহে ঢাল খাইছিল।

তেওঁবিলাকৰ মাজত অপৰসায়নৰ নিচিনা আৰু এবিধ বিদ্যা প্ৰচলিত আছিল। তাক তেওঁবিলাকে ৰসায়ণ বুলিছিল। তাৰ মানে হৈছে কিছুমান ঔষধ আৰু গছ লতাৰ পৰা পোৱা কিছুমান দ্ৰব্য প্ৰস্তুত কৰা নিয়ম প্ৰণালীত সীমাবদ্ধ এটা বিদ্যা। ইয়াত কোৱা আছে যে এই বিদ্যাৰ মূল উদ্দেশ্য হৈছে এনেকুৱা এটা ঔষধ প্ৰস্তুত কৰা যিটোৰে মৃত্যু-

শয্যাত পৰি থকা ৰুগীয়াক ভাল কৰিব, আঠৰ বুঢ়াক ... ৰব ইন্দ্ৰিয় বোধৰ শক্তি বৃদ্ধি কৰিব আৰু মানুহক দীৰ্ঘায়ু কৰিব। কাৰণ পাত-ঞ্জলায়ে কৈ গৈছে যে মুক্তিলাভ কৰিবৰ আন এটা উপায় হৈছে ৰসায়ন বিজ্ঞান।

শ্ৰীশৈলজানন্দ বৰুৱা।

অন্ত